চান্দমামা

মে' ১৯৯০



কফি চাহ নে... ৰসনা ?

গৰমকালি আহিল। কিযে মজা !

দেউতা ছয় বজাত যেতিয়া ঘৰ সোমায়হি মায়ে তেওক কফিও নিদিয়ে, চাহো নিদিয়ে। দিয়ে ৰসনা।

আৰু কি কোৱাছোন ! ককা আইতাই গৰমৰ দিনত কফিৰ মগ বা চাহৰ কাপ চকুপাৰি দেখিব নোৱাৰে। (কাৰণ গৰমৰ বতৰ মানেই ৰসনাৰ বতৰ।)

অৰেঞ্জ □ পাইনএপেল □ লাইম □ শাহী গুলাব □ কালা খাট্টা □ কুল খচ □ কেশৰ এলাইচি □ মছলা চোদা (জল জীৰা) □ টুটি ফ্রুটি □ মেঙ্গো ৰাইপ □ গ্ৰেপ ম্ৰী।

সজীৱতাপূৰ্ণ ৰসনা

11 টি আকৰ্ষণীয় সোৱাদ, আকৰ্ষণীয় দামত.

ৰসনা, দেউতা, দাদা আৰু মই।

আমাৰ ফূৰ্ত্তি ফূৰ্ত্তি ৰসনা পৰিয়াল।

Mudra:A:EAMR:5160 Ass.

In a class of its own
Exclusive pencils for one and all,
L.P.P. LTD. ✳ PREMIER ✳ 261 ✳ HB ✳ BONDED LEAD
LION PREMIER® HB PENCILS
Sleek, Elegant, meant for executives and others, who like style A consistent dark tone for effortless writing - micronized lead for unbreakable points are what adds to its superiority.
PINKY
LION PINKY® PENCILS
Lion 'PINKY' Pencils Pretty Perfect, Ideal for children because of its pretty designs & colours. Strongly bonded lead for unbreakable points and super smooth writing add to its attraction.
L.P.P. LTD. Geematic DRAWING 555 6B
LION Geematic® DRAWING PENCILS
Lion Geematic Drawing Pencils. A unit for all Professionals like artists, architects, designers & engineers. Give expertise an edge. Available in 14 grades from H to 6H and B to 6B HB and F
LION PENCILS LTD
95, Parijat, Marine Drive
BOMBAY 400 002
National-356

অকণমান পৰিকল্পনা, অপৰিসীম স্নেহ ...

আৰু লগতে ক্ষুদ্ৰ সঞ্চয়ৰ সৈতে আনকি আপোনাৰ সন্তানটি, ২১ বছৰতে হব পাৰে লাখপতি!

ইউনিট ট্ৰাষ্টৰ শিশু-উপহাৰ বৃদ্ধি আঁচনি ধন বিনিয়োগ কৰক।

আজি সি আপোনাৰ কোলাত এটি কণমানি কেঁচুৱা। নিজকে নিৰাপদ আৰু সুৰক্ষিত অনুভৱ কৰিবলৈ, আপোনাৰ উপস্থিতিয়েই আজি তাৰবাবে সৰ্বস্ব। কিন্তু অতি সোনকালেই, সময়ৰ পৰিবৰ্তন হব। আৰু সি জীৱন-সংগ্ৰামলৈ ওলাই আহিব। সম্মুখীন হব এক কঠোৰ বাস্তৱৰ।

গতিকে আপোনাৰ সন্তানটিৰ ভৱিষ্যতৰ বাবে এতিয়াই নাভাবে কিয়? ইউনিট ট্ৰাষ্টৰ শিশু উপহাৰ বৃদ্ধি আঁচনিত ধন বিনিয়োগ কৰক। এই আঁচনিৰ অধীনত, নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰা ক্ষুদ্ৰ বিনিয়োগৰ যোগেদি, আপোনাৰ সন্তানটিয়ে ২১ বছৰ বয়সতে লাখপতি হব পাৰিব।

প্ৰশ্ন :– আপোনাৰ সন্তানটিক লাখপতি কৰিবলৈ কেনেদৰে ধন বিনিয়োগ কৰা উচিত?
উত্তৰ :– আপুনি যদি সন্তানটিৰ জন্মৰ সময়তে চি জি জি এফত ধন বিনিয়োগ কৰিব বিচাৰে, তেন্তে তলৰ যি কোনো এটি পন্থা গ্ৰহণ কৰিব পাৰে।
(i) আপুনি ১৫ বছৰৰ বাবে প্ৰতি বছৰে ১,১০০ টকাকৈ ধন বিনিয়োগ কৰিব পাৰে। (ii) আপুনি একাদিক্ৰমে ৩ বছৰৰ বাবে ৩,২০০ টকাকৈ অথবা একাদিক্ৰমে ৬ বছৰৰ বাবে ১৯০০ টকাকৈ ধন বিনিয়োগ কৰিব পাৰে। (iii) আপুনি একেবাৰতেই ৮,৫০০ টকা বিনিয়োগ কৰিব পাৰে।

প্ৰশ্ন :– ধৰক, সন্তানটিৰ বয়স হ'ল?
উত্তৰ :– ১৫ বছৰ বয়সলৈকে প্ৰতি বছৰৰ বাবে আমাৰ আঁচনি আছে। চি জি জি এফ পুস্তিকাখনত থকা তালিকাৰ পৰাই আপুনি এই বিষয়ে সকলো জানিব পাৰিব। অনুগ্ৰহ কৰি এই বিষয়ে আমালৈ লিখক।

প্ৰশ্ন :– এই উপহাৰ শিশুটিক কোনে কোনে দিব পাৰে?
উত্তৰ :– পিতৃ-মাতৃ, সম্বন্ধীয় লোক, বন্ধুবান্ধৱ, কোম্পানী অথবা কৰ্পʼৰেট বডি সমূহে।

প্ৰশ্ন :– আপুনি বিনিয়োগ কৰিব পৰা সৰ্বনিম্ন ধনৰ পৰিমাণ কিমানে?
উত্তৰ :– ৫০০ টকা আৰু তাৰপিচত ১০০ টকাৰ গুণিতকত।

প্ৰশ্ন :– এই বিনিয়োগৰ লাভালাভ সমূহ কি?
উত্তৰ :– শতকৰা বছৰি ১২.৫% টকা সুদৰ উপৰিও প্ৰতি ৫ বছৰৰ অন্তৰে অন্তৰে এটা বোনাচ ডিভিডেণ্ড।

প্ৰশ্ন:– ম্যাদ সমাপ্তিৰ পিচত কোনো সুবিধা আছেনেকি?
উত্তৰ :– ধনখিনি উলিয়াই অনাৰ পৰিবৰ্তে, শিশুটিয়ে সমীপৱৰ্তী 'মাহেকীয়া আয় ইউনিট যোজনা'ত পুনৰ খটুৱাব পাৰে। (মাহেকীয়া আয় লাভৰ বাবে) অথবা ইউ টি আইৰ অন্যান্য বহু যোজনা আছে।

সবিশেষ জানিবৰ বাবে অনুগ্ৰহ কৰি যিকোনো ইউনিট ট্ৰাষ্টৰ অফিচ বা চিফ ৰিপ্ৰেজেণ্টেটিভ বা এজেণ্টক বা বিশেষ কিছুমান হিন্দুস্তান পেট্ৰোলিয়ামৰ বা ইণ্ডিয়ন অইল পেট্ৰল পাম্পত যোগাযোগ কৰক।

বিশদ বিৱৰণৰ বাবে যিকোনো এটি ইউ টি আইৰ অফিচলৈ তলৰ কুপনখন ডাকযোগে পঠিয়াওক।

অনুগ্ৰহ কৰি মোলৈ চি জি জি এফৰ বিনামূলীয়া পুস্তিকা পঠিয়াওক।

নাম : ____________________

ঠিকনা : ____________________

ইউনিট ট্ৰাষ্ট অব ইণ্ডিয়া

(ৰাজহুৱা খণ্ডৰ এটি বিত্তীয় সংস্থা)

- ১৩, স্যৰ বিঠলদাস থেকাৰচে মাৰ্গ, (নিউ মেৰিন লাইন্‌চ), বʼম্বে ৪০০ ০২০, ফোন : ২৮৬৩৭৬৭/৬২০১৯৯৫।
- ২ আৰু ৪, ফেয়াৰ্লি প্লেচ, কলিকতা ৭০০ ০০১, ফোন : ২০৯৩৯১/২০৫৩২২
- গুলাব ভৱন, (ৰিয়েৰ ব্লক), ২য় মহলা, ৬, বাহাদুৰ শ্বাহ জফৰ মাৰ্গ, নতুন দিল্লী ১১০ ০০২, ফোন : ৩৩১৮৬৩৪/৩৩১৯৭৮৬
- জীৱন দীপ, মতিলাল নেহৰু ৰোড, পান বজাৰ, গুৱাহাটী ৭৮১ ০০১, ফোন : ২৩১৩১

Sista's-UTI-29/90 ASM G

MAGGI CLUBBERS
FUN LOVERS
MAGGI
CLUB
লজ অফ দা জাংগ্‌ল গেম
স্নেপ
ছাফাৰি গেম
মেগী ক্লাবঃ আহা
লওঁ বনৰ আনন্দ!
তোমাৰ উপহাৰবোৰ পাবা
বিনামূল্যে!
মেগী নুডল্সৰ 5 টা খালি পেকেটৰ
সমুখৰফালৰ পৰা এই চিহ্নটো কাটা আৰু তোমাৰ পচন্দৰ যিকোনো এটা উপহাৰ বিনামূল্যে পাবৰ বাবে আমালৈ পঠাই দিয়া। প্ৰতিটো উপহাৰৰ বাবে এনে পাঁচটাকৈ চিহ্ন পঠাবা। তুমি 6ৰ পৰা 4 সপ্তাহৰ ভিতৰতে মেগী ক্লাবৰ পৰা ৰং তামাচাৰে ভৰা মনোমোহা উপহাৰটো পাবা!
মনত ৰাখিবা ঃ
যদিহে তুমি মেগী ক্লাবৰ সদস্য হোৱা নাই তেন্তে আমালৈ লিখোতে তুমি বিচৰা উপহাৰৰ নামটো সহ নিজৰ নাম আৰু ঠিকনা জনাবলৈ নাপাহৰিবা। তুমি যদি মেগী ক্লাবৰ সদস্য তেন্তে সদস্য নম্বৰটোও জনাবলৈ নাপাহৰিবা।
ডিজ্‌নী টুডে কমিক
'ফৰেষ্ট ফেচেজ' কেপ আৰু মাস্ক্
MAGGI
2-minute noodles
আমাৰ ঠিকনা ঃ দা মেগী ক্লাব,
পোষ্ট বক্স 5788, নিউ দিল্লী-110055
জাংগল ষ্টেন্‌ডীজ ছে'ট
লগতে এটা উপহাৰ ঃ তুমি যদি এতিয়াও ট্ৰেভেল ইণ্ডিয়া গে'ম সংগ্ৰহ কৰা নাই তেন্তে এতিয়াই কৰা।
HTA 6679ASS

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

শিশুৰ মানসিক বিকাশৰ আহিলা

পুস্তকৰ মূল্যবৃদ্ধিৰ সাম্পৰ্কে আমি পাঠকবৰ্গৰপৰা দিন-প্ৰতিদিন অজস্ৰ অভিযোগ-পত্ৰ পাই আছোঁ। শিশু-পুস্তকৰ মূল্যও উৎকট বৃদ্ধিৰপৰা ৰেহাই পোৱা নাই। যিকোনো পুস্তক, আনকি শিশু-পুস্তকো জনসাধাৰণৰ ক্ৰয়-ক্ষমতাৰ বাহিৰ।

আজিৰ দিনত আমাৰ শিশুইতৰ মনত কিতাপ পঢ়াৰ মানসিক ইচ্ছা বৃদ্ধি কৰাৰ চেষ্টা অতি আৱশ্যক। কিয়নো —দূৰদৰ্শনে অৰ্থাৎ টেলিভিঝনে শিশুইতৰ মন ক্ৰমাত অধিককৈ অধিকাৰ কৰি পেলাইছে সস্তীয়া আমোদৰ উপকৰণেৰে। পৃথিৱীৰ বিভিন্ন দেশৰ শিশু-বিশেষজ্ঞসকলৰ মতে: শিশুৰ নমাসিক বিকাশৰ বাবে পুস্তকতকৈ শ্ৰেষ্ঠ আন একোৱেই নাই বা হ'ব নোৱাৰে।

আমাৰ চৰকাৰ আৰু পুস্তক প্ৰকাশকসকললৈ আমাৰ নম্ৰ নিবেদন: অন্ততঃপক্ষে দেশৰ শিশুইতৰ ভৱিষ্যতৰ কথা ভাবি পুস্তকৰ এই অভাৱিত তথা উৎকট মূল্যবৃদ্ধি ৰোধ কৰিবলৈ কিবা-নহয়-কিবা এটা ব্যৱস্থা গ্ৰহণ কৰক।

বছৰ: ১৫ মে' ১৯৯০ সংখ্যা: ২

খনে: ৩·০০ টকা : : বছৰেকীয়া বৰঙণি: ৩৬·০০ টকা

A CHANDAMAMA PUBLICATION

SANKAR

FIRE ENGINE



SUPER DUMPER

INTRODUCING

The Sammo range of mechanical toys. Every toy made to exacting standards set by our collaborators — Sammo Corporation of S.Korea, one of the leading toy manufacturers in the world.

Toys crafted to look like the real thing. With dynamic crackling sounds. Glossy, non-fading colours. Exciting colourful packaging which prevents damage and shop soiling.

Smooth edges and non-toxic colours ensure the child's safety.

Indeed, these are toys children will love playing with, toys which parents will love to buy for them.

WRECKER

ZAP GUN

SAMMO

In collaboration with Sammo Corporation S.Korea

CHANDAMAMA TOYTRONIX

Watch out for more additions to the Sammo Collection

CHANDAMAMA TOYTRONIX

Chandamama Toytronix Pvt Ltd,
Chandamama Buildings, 188, NSK Salai,
Vadapalani, Madras - 600 026.
Tel: 423423 Telex: 041-25047 DOT IN

পূৰ্ব ইঅ'ৰোপত কি হৈছে ?

পূৰ্ব ইঅ'ৰোপ বুলিলে আমি আলবানিয়া, বাল্‌গাৰিয়া, জেক'শ্লাভাকিয়া, হাংগাৰি, পোল্যাণ্ড, ৰোমানিয়া আৰু য়ুগোস্লাভিয়া আদি দেশক বুজি পাওঁ। কেতিয়াবা জাৰ্মান ডেম'ক্ৰেটিক ৰিপাবলিক, আৰু ছোভিয়েত ৰুশ্ব্‌ দেশৰ অৰ্থাৎ ইউএছ এছ আৰ-অৰ অংশবিশেষও এই তালিকাত সাঙোৰ খাই পৰে।

দ্বিতীয় বিশ্বযুদ্ধৰ কালছোৱাত হিটলাৰ আৰু মুছোলিনিয়ে লগ লাগি প্ৰথমোক্ত দেশকেইখন জয় কৰি লৈছিল। তাৰপাছত জাৰ্মানি পৰাজিত হ'ল আৰু মিত্ৰশক্তিয়ে উক্ত দেশসমূহক মুক্ত কৰিলে। কিন্তু সেই দেশসমূহ প্ৰকৃততেই মুক্ত হৈছিলনে? নহয়, যথাৰ্থভাবে মুক্ত হোৱা নাছিল। ছোভিয়েত ৰুশ্ব্‌দেশৰ কমিউনিষ্ট ডিক্টেটৰ ষ্ট্যালিনে উক্ত দেশসমূহত পুতলা চৰকাৰ গঠন কৰিছিল। এইবোৰ পুতলা চৰকাৰৰ শাসকহঁত ঘোৰ আছিল কমিউনিষ্ট আৰু আছিল সম্পূৰ্ণৰূপে ষ্ট্যালিনৰ অনুগত।

কিন্তু য়ুগোস্লাভিয়াৰ নেতা মাৰ্শাল টিটো ছোভিয়েতৰ কথাও উঠা-বহা কৰা ব্যক্তি নাছিল। তেওঁ ষ্ট্যালিনৰ নিৰ্দেশ উপেক্ষা কৰি স্বাধীন পথ অৱলম্বন কৰিছিল। কিন্তু আন দেশবিলাকে, আনকি ষ্ট্যালিনৰ মৃত্যুৰ পাছতো ৰুশ্ব্‌-ভক্তি দেখুৱায়েই থাকিল। যদি এহঁতৰ মাজত কোনোবাই কিবা কাৰণত মূৰটি দাঙিছিল, লগে লগে ৰুশ্ব্‌ হাতুৰীৰে টঙনিয়াই পোনোৱা হৈছিল।

এনেবোৰ পৰিস্থিতিৰপৰা দুটা অথন্তৰীয়া কথাৰ জন্ম হ'ল। এক: এইবোৰ দেশৰ জনসাধাৰণে মুক্তভাবে কোনো মাত মাতিব নোৱাৰিছিল। দুই: কিছুমান সলি সিয়াৰ্নে কমিউনিষ্ট পাৰ্টিৰ নামত চৰকাৰ দখল কৰি নিজৰ মনে-খোৱা-মতে শাসনৰ নামত অপশাসন চলাইছিল।

আমাৰ এই মন্তব্যৰ দেখ দেখ উদাহৰণ হ'ল ৰোমানিয়াৰ নিকোলাই ছেইছেস্কু। এই ব্যক্তিয়ে সকুমুৰা ৰজা এটিৰ দৰে জীৱন নিৰ্বাহ কৰিছিল। এওঁ আছিল অত্যন্ত স্বাৰ্থপৰ ধনলোভী আৰু নিষ্ঠুৰতম হত্যাকাৰী। কোনাবাই এওঁৰ বিৰুদ্ধে মাত মতাৰ দাঁত দেখুৱালে আৰু নিস্তাৰ নাছিল। ফলস্বৰূপে—ৰোমানিয়াত বিদ্ৰোহ হ'ল আৰু এই উৰুলিপুঙাটি যোৱা বছৰৰ ২৫ ডিছেমবাৰ তাৰিখে সস্ত্ৰীক নিহত হ'ল আৰু এই বিষম ঘটনাৰ ফলত সম্প্ৰতে ৰোমানিয়াত গণতন্ত্ৰ প্ৰতিষ্ঠিত হ'ল।

পূৰ্ব ইঅ'ৰোপৰ প্ৰতিখন দেশতে গণতন্ত্ৰৰ প্ৰতি আস্থা-আকাংক্ষা প্ৰকাশিত হৈছে, একদলীয় শাসন-ব্যৱস্থাৰ বিৰুদ্ধে সেই দেশত বিদ্ৰোহ হৈছে।

মিখাইল গৰবাচেফৰ নেতৃত্বত ছোভিয়েত ৰুশ্ দেশেই এই পৰিৱৰ্তনৰ জোৱাৰ সৃষ্টি কৰিছে। ছোভিয়েত ইউনিয়নে সম্প্ৰতে অতি মুক্ত নীতি গ্ৰহণ কৰিছে। বৰ্তমানে ছোভিয়েতৰ জনগণে মুক্তকণ্ঠে মাত মাতিব পৰা হৈছে, তলমূৰ ওপৰলৈ দঙা হৈছে।

ওপৰুক্ত ঘটনাৱলীৰপৰা আমি এই কথা ভাবি লোৱা ঠিক নহ'ব যে সমাজতান্ত্ৰিক বা সাম্যবাদী নীতি পৃথিৱীৰ বাবে অৰ্থহীন হৈ পৰিছে। বিজ্ঞ ব্যক্তি-সকলে বুজিছে যে গণতান্ত্ৰিকতাৰ মাজে-দিয়েই সমাজতন্ত্ৰক প্ৰতিষ্ঠা কৰিব পাৰি।



জয়পাতে ক্ষয়

নিকুম্ভ পণ্ডিতে বহু দেশ ভ্ৰমি সিবোৰ দেশৰ পণ্ডিতসকলক নাক উলিয়াব নোৱৰা কৰিলে। কোনো দেশৰ কোনো পণ্ডিতেই নিকুম্ভ পণ্ডিতৰ আগত মূৰকে দাঙিব নোৱৰা হ'ল আৰু সেইহে নিকুম্ভ পণ্ডিতৰ অহংকাৰো আকাশ পৰশা হৈ উঠিল।

এইদৰে ইদেশ-সিদেশ ভ্ৰমি এদিন নিকুম্ভ পণ্ডিত শৌশিলয় দেশৰ ৰাজধানী মলয়াৱতী নগৰ পালেহি। ৰজা সৰ্বোত্তমদেৱে নিকুম্ভ পণ্ডিতলৈ সাদৰ অভিনন্দন জ্ঞাপন কৰিলে আৰু এদিন তেওঁ তেওঁৰ সভা-পণ্ডিতৰ সৈতে নিকুম্ভ পণ্ডিতৰ শাস্ত্ৰালোচনাৰ তথা তৰ্কৰ বন্দবস্ত কৰিলে।

সভা-পণ্ডিতে যিমানবোৰ গূঢ় প্ৰশ্ন সুধিলে, নিকুম্ভ পণ্ডিতে হেলাৰঙে সেইবোৰৰ উত্তৰ তথা সমাধানো দিলে; কিন্তু নিকুম্ভ পণ্ডিতে সোধা এটা প্ৰশ্নৰ উত্তৰো সভা-পণ্ডিতে দিব নোৱাৰিলে।

ইমান দিন ধৰি শৌশিলয় দেশৰ সকলোতে এই কথা প্ৰচাৰিত আছিল যে—শৌশিলয় দেশৰ সভা-পণ্ডিত সকলো দেশৰ সৰ্বকালৰ শ্ৰেষ্ঠ পণ্ডিত। তেওঁক হৰুৱাব পৰা কোনো নাই, আৰু নোলাব। কিন্তু — নিকুম্ভপণ্ডিতৰ হাতত বেয়াকৈ পৰাজিত হোৱাত শৌশিলয়দেশৰ প্ৰজাৰ সেই ধাৰণা তথা বিশ্বাস টুটিল।

এই কথাত অতিপাত বিস্মিত সভাসদ আৰু ৰাজসভাত উপস্থিত গণ্যমান্য ৰজাৰ মাজত নিকুম্ভ পণ্ডিত উঠি থিয় হ'ল, আৰু ৰজাক ক'লে, "মহাৰাজ, আপোনাৰ সভা-পণ্ডিত মোৰ ওচৰত পৰাজিত হ'ল। মোক আপুনি উপহাৰ-

কিশোৰকুমাৰ কলিতা

পুৰস্কাৰ প্ৰদান নকৰিলেও হ'ব। মাত্ৰ— আপোনাৰ সভা-পণ্ডিতে মোক মহান বুলি মানি মোৰ চৰণ স্পৰ্শ কৰি প্ৰণাম কৰিলেই মই মোৰ প্ৰাপ্য পালোঁ বুলি ধৰি ল'ম।"

ৰজা সৰ্বোত্তমদেৱ প্ৰমাদ গণিলে। নিকুম্ভ পণ্ডিতৰ এই চৰ্ত যথেষ্ট অপমানজনক। কিন্তু তথাপি—উত্তৰ তো কিবা এটা দিব লাগিব। ৰজা সৰ্বোত্তমে ভাবি থাকিল কি উত্তৰ দিয়া যাব।

এনেতে ৰাজ-সভাত উপস্থিত ৰাইজৰ মাজৰপৰা এজন খীণ-মিন কিন্তু ওখ-পাখ মানুহ ভিৰ ফালি ৰজাৰ ওচৰলৈ আহিল আৰু ৰজাক ক'লে, "মহাৰাজ, মোৰ নাম মুক্তহাস্য। আপুনি যদি অনুমতি প্ৰদান কৰে—তেনেহ'লে মই এইগৰাকী সৰ্বজ্ঞান পণ্ডিতক দুটা প্ৰশ্ন সুধিম।"

মুক্তহাস্যৰ প্ৰস্তাৱত ৰজা মান্তি হ'ল। খীণ-মিন মুক্তহাস্যৰ ৰেহৰূপ দেখি গহীন-গম্ভীৰ নিকুম্ভ পণ্ডিতে উচ্চ হাস্য সংবৰণ কৰিব নোৱাৰিলে।

মুক্তহাস্যই নিকুম্ভ পণ্ডিতক ক'লে, "মহাশয়, আপুনি হ'ল এগৰাকী মহান পণ্ডিত। আপুনি যদি মোক কিবা প্ৰশ্ন সোধে, মইহেন অগিয়ানীয়ে সেই প্ৰশ্নৰ উত্তৰ কদাপি দিব নোৱাৰিম। কিন্তু মই কিবা প্ৰশ্ন সুধিলে আপুনি নিশ্চয় টিলিকতে সেইবোৰ উত্তৰ দিব পাৰিব। তথাপি আপোনাক মই দুটা প্ৰশ্ন সুধিম। যদি সেই প্ৰশ্ন দুটাৰ উত্তৰ আপুনি দিব পাৰে, মই মোৰ সমগ্ৰ জীৱনকাল ধৰি আপোনাৰ সেৱা কৰিম। যদিহে আপুনি মোৰ প্ৰশ্ন দুটাৰ উত্তৰ দিব নোৱাৰা হয়, তেনেহ'লে পৰাজয় স্বীকাৰ কৰি তৎক্ষণাৎ ৰাজ-সভা এৰি গুচি যাবগৈ লাগিব।"

নিকুম্ভ পণ্ডিতে ক'লে, "সোধা।"

"আপুনি কিন্তু মন দি শুনিব।— তিনিজনী ছাগলী ইজনীৰ পিছত সিজনীকৈ একেলগে গৈ আছিল। বিপৰীত ফালৰ

পৰা মানুহ এজন আহি আছিল। মানুহজনে প্ৰথমজনী ছাগলীক সুধিলে, 'তোমাৰ পিছত আৰুনো কেইজনী ছাগলী আছে'? প্ৰথমজনী ছাগলীয়ে সেই মানুহজনক ক'লে, 'দুজনী'।

"তাৰ পাছত মানুহজনো ছাগলীজনীৰ লগে লগে গৈ থাকিল, আৰু এসময়ত দ্বিতীয়জনী ছাগলীক তেওঁ সুধিলে যে তাইৰ পিছফালে আৰু কেইজনী ছাগলী আছে। এই ছাগলীজনীয়েও 'দুজনী, থকা বুলি উত্তৰ দিলে। এয়ানো কেনেকৈ সম্ভৱ? আৰু — দ্বিতীয়জনী ছাগলীয়ে এনেকুৱা অসম্ভৱ উত্তৰ কিয় দিছিল? মোৰ প্ৰথম প্ৰশ্ন ইমানেই।" মুক্তহাস্যই ক'লে।

শুনি নিকুম্ভ পণ্ডিতে হা হাকৈ হাঁহি উঠি ক'লে. "এয়ানো প্ৰশ্ন হ'লনে বাৰু?"

"তথাপি—উত্তৰটো দিয়কেই দয়া কৰি।" মুক্তহাস্যই লাহেকৈ ক'লে।

নিকুম্ভই ভুৰু কোঁচাই কপাল কোঁচাই অলপ চিন্তা কৰি হিচাপ কৰি ক'লে. "এই ছাগলী তিনিজনী বোধকৰোঁ চক্ৰাকাৰে ঘূৰি আছিল। সেই কাৰণে প্ৰত্যেকজনীয়েই তাইৰ পিছত দুজনীকৈ ছাগলী থকা বুলি ভাবিছিল।"

মুক্তহাস্যই মুচুককৰে হাঁহি মাৰি ক'লে, "নহয় পণ্ডিতজী, ছাগলী তিনিজনীয়ে ইজনীৰ পিছে সিজনীকৈ খোজ কাঢ়ি গৈ থকাৰ কথা আগতেই কৈছোঁ।"

এইবাৰ নিকুম্ভই তেওঁৰ চকুযুৰিও কোঁচাই পেলালে; কিন্তু প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি মুক্তহাস্যকে প্ৰশ্ন কৰিলে, "তেনেহ'লে কথানো কি কোৱাচোন?"

"দ্বিতীয় ছাগলীজনী আছিল মিছলীয়া। কথা ইমানেই।" মুক্তহাস্যই ক'লে।

মুক্তহাস্যৰ কথা শুনি ৰাজসভাৰ সকলো মানুহ গিৰ্জনি মাৰি হাঁহি উঠিল; কেৱল নিকুম্ভ পণ্ডিতহে গম্ভীৰ হৈ পৰিল। নিকুম্ভই পৰাজয় মানি লৈ মুক্তহাস্যক ক'লে, "তোমাৰ দ্বিতীয় প্ৰশ্নটোনো কি?"

"এজন মানুহ পাহাৰ এটাৰ টিঙত থিয় হৈ আছিল। টিঙত থিয় হৈ সূৰ্য্যোদয়লৈ কিছু সময় ধৰি চাই থকাৰ পাছত, সেই পাহাৰৰপৰা নামি পূব দিশলৈ চাৰি ক্ৰোশ বাট বুলি বুলি গ'ল। তাৰ পাছত তেওঁ সোঁফালে ঘূৰিল আৰু পাঁচ ক্ৰোশমান গ'ল। তাৰপৰা মানুহজনে বাঁও ফালে ঘূৰি ঠিক দুই ক্ৰোশ ৰাস্তা যোৱাৰ পাছত হঠাৎ তাত বৈ দিলে। মোৰ দ্বিতীয় প্ৰশ্ন হ'ল—কিয় বৈ দিলে? মানুহজনে তাতে বৈ দিলে কিয়?" মুক্তহাস্যই মুক্তকণ্ঠে সুধিলে গহীন-গহীয়া নিকুম্ভ পণ্ডিতক।

"বোধকৰোঁ—বোধকৰোঁ সেই ঠাইত সাগৰ-টাগৰ আছিল—। নিকুম্ভ পণ্ডিতে সহজেই উত্তৰটো কৈ দিলে।

"ও—হোঁ।" মুক্তহাস্যয়ো টপৰকৈ ক'লে খামিডাঠ নিকুম্ভ পণ্ডিতক।

কিন্তু নিকুম্ভ পণ্ডিতে বহু ভাবিও এই প্ৰশ্নৰ আন একো উত্তৰ দিব নোৱাৰি বাধ্যত পৰি সুধিলে, "নোৱাৰিম ক'ব, কোৱাচোন শুনো—কথা কি?"

"ক'ত ৰ'ব-নৰ'ব—মানুহজনৰ ইচ্ছা। মানুহজনে ৰ'ব খুজিছিল, বৈ দিছিল, বছ। কথা ইমানেই।" মুক্তহাস্যই ক'লে।

জয়ঢোল কোবাই অহা নিকুম্ভৰ জয়পাতে ক্ষয় হ'ল, আৰু তেওঁ তললমূৰ হৈ ৰাজসভা এৰি গুচি গ'ল।

পাছত ৰজাৰ প্ৰশ্নৰ উত্তৰত মুক্তহাস্যই ক'লে, "মহাৰাজ, আমি তিনিও ভাই ককাই আপোনাৰ অধীনত কাম বিচাৰি ওলাইছিলোঁ। আমি কোনো ডাঙৰ পণ্ডিত নহওঁ। পিছে—আমি পণ্ডিত-পৰিয়ালৰ সন্তান।"

ৰজাই মুক্তহাস্যক, আৰু মুক্তহাস্যৰ ভায়েক মৃদুহাস্যক আৰু তাৰ ককায়েক অট্টহাস্যকো তেওঁৰ অধীনত সিদিনাৰে-পৰাই কৰ্মনিযুক্ত কৰিছিল।





মহন্তৰ চিন

সীতাপুৰ গাঁৱৰ কৃষ্ণকান্ত আছিল নাম-ডাক থকা কথক। আৰু কৃষ্ণকান্তৰ সহকাৰী তথা পাৰ্শ্ব-গায়ক তথা বাদক হিচাপে কাম কৰিছিল শ্ৰীহৰি, গণপতি আৰু চন্দ্ৰনাথ। এই পাৰ্শ্ব-গায়ক-বাদক থকা হেতুকেহে কৃষ্ণকান্তৰ কৃষ্ণকথা ইমান সৰস-সজীৱ তথা মনোমুগ্ধকৰ হৈ উঠিছিল।

কথক কৃষ্ণকান্তই কৃষ্ণকথা শুনাবলৈ এশ ষোল টকা মাননী লয়। তাৰোপৰি, কিছুমান ধনাঢ্য শ্ৰোতাই কৃষ্ণকান্তৰ কথামৃত ভাল পাই কেৱল বাহ্, বাহ্, নহয়, নগদ ধনো পাৰিতোষিক হিচাপে দিয়ে। আৰু—সৰ্বশেষত কৃষ্ণকথাৰ অন্তত যেতিয়া থালী এখনত চাকি জ্বলাই লৈ ভগৱন্তৰ আৰতি কৰে, তেতিয়া ভক্ত শ্ৰোতা-ৰাইজে সেই থালীত প্ৰণামী হিচাপে যি নগদ টকা-সিকা দিয়ে তাৰ পৰিমাণো বৰ পেলনীয়া বিধৰ নহয়।

এনেকৈ, তিনি উপায়েৰে প্ৰাপ্ত ধনৰ-পৰা কথক কৃষ্ণকান্তই তেওঁৰ সহচৰ-সহকাৰী পাৰ্শ্ব গায়ক-বাদক শ্ৰীহৰি, গণপতি আৰু চন্দ্ৰনাথকো সামান্য সামান্য পইচা-পাতি দিছিল। কিন্তু এই পইচা ইমানেই কম আছিল যে—শ্ৰীহৰিহঁতে এই ‘জাতো গ’ল, পেটো নভৰিল’ বিধৰ পইচা ল’বলৈ ইচ্ছা নকৰিছিল; কিন্তু নল’লে কৃষ্ণকান্তই বেয়া পাব বুলিহে লৈছিল।

এদিন কৃষ্ণকান্ত দূৰণিবটীয়া গাঁও এখনলৈ কিবা কামলৈ ওলোৱা বুলি জানি শ্ৰীহৰি, গণপতি আৰু চন্দ্ৰনাথ কৃষ্ণকান্তৰ ঘৰলৈ গ’ল আৰু কৃষ্ণকান্তৰ পত্নী কামিনীক কাবৌ-কাকূতিৰে ক’লে,

নৰেন্দ্ৰ নেওগ



“আই, আমাৰ কথকক দহো গাঁৱৰ ৰাইজে আদৰ কৰে, তেওঁৰ কৃষ্ণকথাৰ শলাগ লয়। কিন্তু এই শলাগনি কেৱল তেওঁৰেই প্ৰাপ্য নহয়; কিছু বৰঙনি আমাৰো আছে কথাটো সঁচা। তেওঁ যিখিনি ধন কৃষ্ণকথাৰ মাননী হিচাপে, আৰু প্ৰণামী বা দান-দক্ষিণা হিচাপে পায় —তাৰপৰা যৎসামান্যহে আমাক দিয়ে। আমাৰো ল'ৰা-ছোৱালী আছে, এই কথাটিলৈ মন কৰিলে আমি ভাল পাম।”

সিদিনাই—ৰাতিৰ আহাৰৰ অন্তত কামিনীয়ে - শ্ৰীহৰিহঁতৰ বক্তব্যৰ কথা গিৰিয়েক কৃষ্ণকান্তক আওপাকে ক'লে। কামিনীয়ে মন্তব্য কৰিলে, “আপোনাৰ কথক হিচাপে যহ-খিয়াতিৰ ক্ষেত্ৰত শ্ৰীহৰিহঁতৰ অৰদানো কম নহয়। লোণ নথকা আঞ্জা আৰু পাৰ্শ্ব-গায়ক-বাদক নোহোৱা কৃষ্ণকথা একেই। গতিকে— আপুনি কৃষ্ণকথাৰ মাননী হিচাপে আৰু প্ৰণামী হিচাপে যি ধন পায়, তাৰ ন্যায্য ভাগ এওঁলোককো দিয়া উচিত।”

শুনি কথক কৃষ্ণকান্তৰ মুখ ক'লা পৰিল। তেওঁ গহীন মাতেৰে ক'লে, “এই বিষয়ত ন্যায়-অন্যায় কি—মই উত্তমৰূপে জানো। তুমি ভৱিষ্যতত কদাপি এইবোৰত নাক সুমুমালেও হ'ব।”

তাৰ পাছতো বহু দিন উকলিল। কথকৰ জীয়েকৰ বিয়া ধুমধামৰে হৈ গ'ল। কথকে কিছুখিনি মাটি-বাৰীও কিনিলে। কিন্তু তেওঁ তেওঁৰ সহকাৰী গায়ক-বাদক কেইজনক আগৰ দৰেই কণাৰ দলি দি থাকিল।

আৰু তেতিয়াৰপৰা শ্ৰীহৰি, গণপতি আৰু চন্দ্ৰনাথ কৃষ্ণকান্তৰ লগত আৰু কৃষ্ণকথা গাবলৈ নোযোৱা হ'ল।

কিয় সিহঁত নহা হ'ল—তাৰ কাৰণ জানিবৰ মনেৰে কৃষ্ণকান্ত প্ৰথমতে শ্ৰীহৰিৰ ঘৰলৈ গ'ল। শ্ৰীহৰিৰ পৰিবাৰে কৃষ্ণকান্তক ক'লে, “বহু দিনৰ মূৰকত

আপুনি আহিল। ইপিনে—কথকতাৰ কবলত পৰি আমাৰ গৃহস্থই পা-পৰিয়ালকে পাহৰিলে। কানু বিনে গীত নাই কৃষ্ণকথাৰ কথকতা বিনে পিথপীখনত কোনো কাম নাই। আমাৰ ছোৱালীজনীৰ বিয়াৰ বয়স পাৰ হওঁ হওঁ হ'ল। কিন্তু তেওঁৰহে মনো নাই কাণো নাই ধনো নাই—ছন-বন একো নাই।"

তাৰ পাছত কথক কৃষ্ণকান্ত গণপতিৰ ঘৰলৈ গ'ল। গণপতিও তেতিয়া ঘৰত নাছিল। গণপতিৰ পোন্ধৰ বছৰীয়া ল'ৰা-টোৱে কৃষ্ণকান্তক ক'লে, "মোৰ দেউতাৰ সংসাৰলৈ মন-কাণ নথকাতহে মোৰ মাৰ স্বাস্থ্য ইমান বেয়া হ'ল। টকা-পইচা নথকাত চিকিৎসাও নহ'ল। টকা ধাৰলৈ আনিবলৈ আমাৰ দেউতা কৰজপুৰ গাঁৱলৈ গ'ল।"

আৰু তাৰ পাছত কৃষ্ণকান্ত চন্দ্ৰনাথৰ ঘৰ পালেগৈ। চন্দ্ৰনাথ তেতিয়া ফটা-ছিটা ঢাৰি এখন পাৰি মজিয়াত বহি আছিল। চন্দ্ৰনাথে কৃষ্ণকান্তৰ কথাৰ উত্তৰত ক'লে "ডাঙৰীয়া, অবিবেচনা আৰু কথকতাৰ মোৰ প্ৰতি চুলাইৰ দৰে নিচাইহে মোক এইদৰে জুৰুলা কৰিলে। যেই কি নহওক —মই আৰু আপোনাৰ লগ হৈ কথকতা নকৰোঁ, তাতকৈ হাল বালেও কাম হ'ব। আৰু—এতিয়া মই বুঢ়াও হ'লোঁ, আগৰ দৰে ঘুৰিফুৰাৰ বল-শক্তিও নাই।"



কৃষ্ণকান্ত ঘৰলৈ উভতি আহিল আৰু পাছ দিনা তিনিওকো তেওঁৰ ঘৰলৈ মতাই অনালে। কৃষ্ণকান্তৰ নিমন্ত্ৰণক্ৰমেই তেওঁৰ ঘৰৰ চোতালত গাঁৱৰ মান্য-গণ্য কিছুমান লোক বহি আছিল। কৃষ্ণকান্তই শ্ৰীহৰি, গণপতি আৰু চন্দ্ৰনাথক ক'লে, "মোৰ সম্পৰ্কে তোমালোকৰ কি কি অভিযোগ আছে—সমজুৱাৰ আগত নিৰ্ভয়ে কোৱা।"

তিনিওজনেই একবাক্যে ক'লে যে কথক কৃষ্ণকান্তই সিহঁতক ঠগি, সিহঁতৰ ন্যায্য প্ৰাপ্য নিদিয়াকৈ কেৱল নিজৰ অৱস্থাহে টনকিয়াল কৰি তুলিছে। কৃষ্ণকান্ত অতিপাত হ'ল লোভী আৰু কৃপণ—ইত্যাদি।

তেতিয়া কৃষ্ণকান্তই তেওঁৰ ঘৰৰপৰা তিনিটা মোনা আনি শ্ৰীহৰি, গণপতি আৰু চন্দ্ৰনাথৰ আগত থৈ দিলে আৰু সিহঁতক ক'লে, "এই মোনা তিনিটাত দহ হেজাৰকৈ টকা আছে। তোমালোকৰ ন্যায্য প্ৰাপ্যৰপৰা মই আধাখিনিকৈ এইদৰে তোমালোকৰ কাৰণে সাঁচি থৈছিলোঁ। নহ'লে — তেতিয়াই মই তোমালোকৰ প্ৰাপ্য টকা আটাইখিনি দিয়াহেঁতেন, আজিৰ এই বুঢ়া বয়সত তোমালোকৰ দুখীয়াৰো দুখীয়া অৱস্থা হ'লহেঁতেন। কিয়নো—সাধাৰণ মানুহৰ সদায় অভাৱ-অনাটন থাকে, আৰু যিমান আৰ্জে সিমানেই খৰচ হৈ যায়। যি কি নহওক—এইখিনি তোমালোকে লৈ যোৱা, আৰু কেতিয়াবা কিবা বিপদত পৰিলে মোৰ কাষ চাপিবা, কই তোমালোকৰ নিশ্চয় মোৰ সাধ্যমতে সহায় কৰিম।"

শ্ৰীহৰি, গণপতি আৰু চন্দ্ৰনাথে কথক কৃষ্ণকান্তৰ ভৰি ছুই প্ৰণাম কৰিলে। তাত উপস্থিত থকা ৰাইজৰ মাজত এজনে ধেমালিৰ সুৰতে কৈ উঠিল, "ইয়াকে বোলে—মহন্তৰ চিন মাহনিত।"

দস্যু যুৱৰাজ

৭

আগৰ কথা

শান্ত শান্তিপুৰ ৰাজ্যত অশান্তি বিয়পি পৰিল। বীৰসিংহৰ অত্যাচাৰত সকলোৱে ত্ৰাহি মধুসূদন দেখিলে। ৰাতিলৈকে সেনাপতি হৈ থকাক ৰাতিপুৱাতে 'মহাৰাজ' বুলিবলৈ অস্বীকৃত হোৱাত মহাৰাজ শান্তিদেৱৰ বৃদ্ধ মহামন্ত্ৰীক আৰু বীৰসিংহৰ ৰজা হোৱাৰ প্ৰশ্ন কৰাত বসন্ত নামৰ যুৱক এজনকো হত্যা কৰাৰ বাবে বীৰসিংহই আদেশ দিলে। কিন্তু— আদেশ কাৰ্য্যকৰী কৰাৰ চেষ্টা ফলৱতী নহ'ল। কিয়নো—সঠিক সময়ত এগৰাকী অজ্ঞাত বীৰ যোদ্ধাই শান্তিপুৰৰ বৃদ্ধ মন্ত্ৰী আৰু সেই যুৱককো ৰক্ষা কৰিলে। তাৰ পাছত ...

সেই অজ্ঞাত, অখ্যাত কোনোবা বীৰৰ সহায়তাৰে বৃদ্ধ মহামন্ত্ৰী আৰু যুৱক বসন্তযে পলাই সাৰিল, সেই কথা বাংকেক বীৰসিংহৰ কৰ্ণগোচৰ হ'ল।

ইতিমধ্যে সৰু কতোৱালে হাত যোৰ কৰি বীৰসিংহৰ আগত হনুমন্তৰ দৰে থিয় দিছিলহি। বীৰসিংহই এই গৰুহেন সৰু কতোৱালটোলৈ চোৱামাত্ৰেই কতোৱাল-টোৱে কুকুৰা এটাৰ দৰে কৰ্কাই কৈ উঠিল, "হ—হঃ—হজুৰ, আমাৰ মান্যমান বৰ কতোৱাল লাল খাহাব আপোনাৰ সমুখত ওলাবলৈকো সাহ পোৱা নাই।"

এই সৰু কতোৱালটোৱে মহাৰাজ শান্তিদেৱৰ বিৰুদ্ধে বীৰসিংহই ষড়যন্ত্ৰ কৰি থকা কালত হাত মিলাইছিল; গতিকে সি আছিল বহুৰভী বীৰসিহৰ কৃপাৰ পাত্ৰ। সেই কাৰণে বৰ কতোৱাল লাল খাঁহাবে এই গৰু সৰুটোক পঠাইছিল বীৰসিংহক নিচুকাবলৈ।

কিন্তু সৰু কতোৱালৰ মুখে সকলো বৃত্তান্ত অৱগত হোৱাৰ অন্তত ক্ৰুদ্ধ বীৰসিংহই কৈ উঠিল, "সেই কেল্লনীয়া কেলেহুৱা ভেটচকুৱা কটোৱাল নামৰ কিলৰ খাৰ খোৱাটোৰ ছাঁটোকো মই দেখিবলৈ নিবিচাৰোঁ। সেই গাহৰি মুৰাটোক কোৰাগৈ—সি মোৰ ৰাজ্য এৰি গুচি যায়গৈ যেন। আজিয়েই। আৰু —আৰু মই তোমাক আজি এতিয়া-এইমুহূৰ্তৰেপৰাই—তোমাকেই পাতিলোঁ মোৰ ৰাজ্যৰ বৰ কটোৱাল।"

আৰু আনন্দ-আহ্লাদৰ চোটত গৰুৰো গৰু সৰু কতোৱালটো বিহ-শিঙৰা বীৰ-সিংহৰ গদহা ঠেঙৰ ওচৰত ধুপুচকৈ বহি পৰিল আৰু ভৰি চেলেকাৰ দৰে কৈ উঠিল "পৰভু! আপোনাৰ কাৰণে মই যেতিয়াই লাগে মৰিবলৈকো সাজু।"

"মূৰ্খ!" বীৰসিংহই কৈ উঠিল, "এই কামটি কস্মিনকালেও নকৰিবলৈ মই তোক আদেশ দিছোঁ। তই মৰই যদি —মোৰনো কি লাভ হ'ব? তেতিয়া তোৰ সলনি দেখোন আন কোনোবা এটা কামৰি কঢ়াক বিচাৰি উলিয়াব লাগিব বৰ কটোৱালৰ ভাও দিবলৈ।"

"তেনেহ'লে পৰভু—" কি ক'ব কি নক'ব খাটাংকৈ থিৰাং কৰিব নোৱাৰি তুঁহত হগা বোন্দাটিৰ দৰে কতোৱালে ক'লে, "আপোনাৰ কাৰণে মৰাৰ সলনি আনক মাৰিম। —হ'বনে মহাৰাজ?"

"চা—ব্‌ বাইচ! এয়েহে তেইচ মৰা কথা। মৰাৰ সলনি মাৰিবি। মোক মুখৰ মেহাৰ নালাগে, লাগে হাতৰ প্ৰহাৰ।"

তেতিয়াৰ সৰু এতিয়াৰ বৰ কতোৱালে বুধাসিং দহটা চিপাহীৰে সৈতে বসন্তৰ গাঁৱলৈ গ'ল আৰু বসন্তৰ মাক দেউতাক ভায়েক ভনীয়েকৰ সকলোকে টানি-চুঁচৰি গাঁৱৰ চাৰি আলিলৈ আনি বুকুলৈ যাঠি টোঁৱাই ধৰি সুধিলে, "কোৱা, বসন্ত এতিয়া ক'ত আছে? তুৰন্তে কোৱা।"

"হুজুৰ, আমাৰ বসন্তক দেখোন ৰজাৰ মানুহে বন্দী কৰি লৈ গ'ল।" বসন্তৰ বৃদ্ধ পিতাকেহাত যোৰ কৰি কতোৱালক ক'লে।

"আৰে—এই কথা চৰেবই জানে। এতিয়া বসন্ত ক'ত আছেগৈ, তাকে কোৱা। আগৰ হোজা ভোদা কতোৱালক ধোঁৱাৰপৰা বগৰাই দি, চিপাহীবিলাকক চূণ-খাৰ কৰি বসন্তক বলেৰে কাঢ়ি লৈ যোৱা সেই বদমাছটো কোন—তুৰন্তে কৈদিয়া।" কতোৱালে গৰজি উঠি ক'লে।

"ককাইদেউক সেই মুখাপিন্ধা বীৰে যেতিয়া জাদুৰ দৰে জাল ফালি লৈ গ'ল, তেতিয়া আপুনিও দেখোন তাতে আছিল। গতিকে—আমাৰ ককাইদেউৰ সমিচাৰ আমাতকৈ আপুনিহে ভালকৈ জানিব।" বসন্তৰ ভায়েকে ক'লে।

"সিদিনা—যেতিয়া বসন্তদাদাক ধৰি লৈ গ'ল, আপুনিও লগে লগে গৈ থকা নাছিলনে? তাৰ মানে—মুখাধাৰী বীৰ যেতিয়া দানহ পৰা দি পৰিছিলহি, তেতিয়া আপুনিও তাতে আছিল।" আন এজন যুৱকে বৰ কতোৱালক ক'লে।

"হাৰে দগাবাজ ডেকাটো! মই তেতিয়া তাত থকাহেঁতেন তইঁত এটাও বাক জীয়াই থাকিলিহেঁতেন নে?" এই বুলি কৈয়েই বমকি উঠা কতোৱালে আৰু কেটামান চিপাহীয়েও এই যুৱকৰ পিঠিত সৌকাৰে কোৰাবলৈ ধৰিলে।

"আৰে আৰে!" এজন গৃহস্থই কৈ উঠিল, "এওঁক তোমালোকে কিয় এনেকৈ মাৰিছা?"

"আমাৰ প্ৰকৃত মহাৰাজ শান্তিদেৱৰ

আমোলত কেতিয়াও এনেৰোৰ ৰেয়া কাম হোৱা দেখা নাছিলোঁ আমি।” আন এজনে কৈ উঠিল।

কণি বিহৰ গুটি বৰ কতোৱালে কৈ উঠিল, “এয়ে দেখিছোঁ বিদ্ৰোহীইঁতৰ গাঁও! চিপাহীইঁত! এই গাঁৱৰ ঘৰে ঘৰে এতিয়াই জুই লগাই দিয়া।”

লগে লগে চিপাহীকেইটামানে গাঁৱৰ ঘৰ বিলাকত জুই লগাবলৈ ধৰিলে।

লৌ লৌ কৰে জ্বলি থকা খেৰী ঘৰবিলাকলৈ চাই চাই মোচত তাও দি দি খহুৱা ভেকুলী কতোৱালটোৱে মতা কুকুৰাৰ দৰে কৰ্কাই উঠি চিপাহী বিলাকক ক'লে, “তোমালোকে এটা ঘৰো বাদ নিদিবা, জল্‌দি চালে লোগোঁ কা ঘৰমে জুই লগাও,”

সিদিনাই ৰাতিৰ পৰতে একেলেথাৰিয়ে বৰষুণ দি আছিল। আকাশখন ক'লীয়া ডাৱৰে ছানি ধৰিছিল, আৰু বিজুলী চমকি আছিল। আৰু এনেহেন পৰিস্থিতিৰ মাজকে সাধু জয়ানন্দ অকলৈ অটব্য অৰণ্যৰ মাজেদি অমৃতপুৰী ৰাজ্যৰ ৰাজধানী জয়পুৰীলৈ গৈ আছিল। সাধু জয়ানন্দৰ পিছে পিছে গৈ আছিল এজনী বিৰাট বাঘিনী, আৰু তেওঁৰ কান্ধৰ ওপৰত আছিল এটি ধুনীয়া মইনা চৰাই।

অমৃতপুৰীও এখন স্বতন্ত্ৰ ৰাজ্য তথা দেশ, কিন্তু অমৃতপুৰীৰ ৰাজধানী জয়পুৰী কোনো নগৰ-চহৰ নহয়। ৰজাৰ দুৰ্গ বা গড় এটা আছে; কিন্তু সিমানেই। বাদবাকী ডাঙৰ গাঁৱৰ নিচিনা। অমৃতপুৰী ৰাজ্যৰ এফালে শান্তিপুৰ ৰাজ্য, আন ফালে সীমাহীন সমুদ্ৰ। আৰু আন দুয়ো ফালে সুবিস্তীৰ্ণ অৰণ্য।

কেইপুৰুষমানৰ আগতেও অমৃতপুৰী আছিল শান্তিপুৰ তথা সুমেধ ৰাজ্যৰ অধীনস্থ সামন্ত ৰাজ্য। কিন্তু এবাৰ এক মহা বিপদকালত সুমেধ বা শান্তিপুৰ ৰাজ্যৰ ৰজাক অতি কষ্টেৰে ৰক্ষা কৰাত,

অমৃতপুৰীক সামন্ত ৰাজ্য হৈ থকাৰপৰা অব্যাহতি দিয়া হৈছিল, আৰু অমৃতপুৰীৰ স্বতন্ত্ৰতাক মানি লোৱা হৈছিল, লগতে অমৃতপুৰী ৰাজ্যক শত্ৰুৰ আক্ৰমণৰপৰা ৰক্ষা কৰাৰো প্ৰতিশ্ৰুতি দিয়া হৈছিল।

জয়ানন্দ মুনিয়ে অৰণ্যৰ মাজেদি গৈ গৈ অমৃতপুৰীৰ সীমাস্থিত বিৰাট মন্দিৰৰ ওচৰত বৈ বাঘিনীজনীক ক'লে, "নীল্লি, মই উভতি নহালৈকে তুমি এইখিনিতে বৈ থাকিবা।" তাৰ পাছত জয়ানন্দ সাধুৱে মইনা চৰাইটিক ক'লে "মল্লি তুমি, অমৃতপুৰীৰ মহাৰাজ শংকৰবৰ্মাক কোৱাগৈ যে মই তেওঁক লগ ধৰিবলৈ আহিছোঁ।"

মুহূৰ্ততে মইনা উৰিল আৰু উৰি উৰি নেদেখা হৈ পৰিল। অমৃতপুৰীৰ মহাৰাজে তেতিয়া ভোজনৰ অন্তত বিশ্ৰাম ল'বলৈ যো-জা কৰি আছিল। এনেতে তেওঁ শুনিলে: "বৎস!"

মহাৰাজ শংকৰবৰ্মাদে ৱ ঘূৰি চালে।

মইনা চৰাইটো মহাৰাজৰ কান্ধত বহিলহি, আৰু পুনৰ মাতিলে, "বৎস!"

"অ'—মল্লি! কি কথা?" মহাৰাজে মইনাক সুধিলে।

"মহাত্মা।" মইনাই ক'লে।

"আঁ—! হয়নে?" মহাৰাজে তেতিয়াই কটকী এজনক মাতি সাধু জয়ানন্দক আগ বঢ়াই আনিবলৈ ক'লে। মইনাই কোৱা 'মহাত্মা' শব্দটোৱেই তেওঁ





বুজি পাইছিল জয়ানন্দ সাধু অহাৰ কথা।

চাওঁতে চাওঁতে জয়ানন্দ সাধুও তাত উপস্থিত হ'লহি। মহাৰাজ শংকৰ বৰ্মাদেৱে জয়ানন্দক আভূমি প্ৰণাম কৰি ক'লে, "হে মহাত্মা, ইমান কষ্ট কৰি ইয়ালৈ অহাৰ কিনো আৱশ্যক আছিল? মল্লিয়ে খবৰ দিয়াহেঁতেন ময়েই তাত ওলালোগৈহেঁতেন।"

"ঠিক। কিন্তু—তুমি মোৰ আশ্ৰমলৈ যোৱাহেঁতেন কথাটো তৎক্ষণাৎ সদৰি হৈ পৰিলহেঁতেন। সেই কাৰণেই মই নিজেই আহিলোঁ।" সাধু জয়ানন্দই ক'লে।

সাধু জয়ানন্দৰ কথাত ৰহস্যৰ গোন্ধ পাই মহাৰাজ শংকৰবৰ্মাই সাধু জয়ানন্দক ৰাজপ্ৰাসাদৰ ভিতৰলৈ লৈ গ'ল আৰু নিজ হস্তে উষ্ণ দুগ্ধ পান কৰিবলৈ দিলে।

সাধু জয়ানন্দই মহাৰাজ শংকৰবৰ্মাক ক'লে, "বৎস! তুমি নিশ্চয় শান্তিপুৰৰ ঘটনা সমূহৰ কথা শুনিছা?"

"কেৱল শুনাই নহয়, মই অত্যন্ত বিচলিতও হৈছোঁ। পুৰুষপৰম্পৰাই চলি অহা সুপ্ৰাচীন ৰাজবংশৰ শেষেই হ'ল যেন পাইছোঁ। ৰাজ-পৰিয়ালৰে এজন হৈও সেনাপতি বীৰসিংহই বিষম বিশ্বাসঘাতকতা কৰাৰ বাতৰি নোপোৱাকৈ থকা নাই। বিশ্বাসঘাতক অত্যাচাৰী উৎপীড়ক লোভী বীৰসিংহৰ চকু যে আমাৰ ৰাজ্যৰ ওপৰতো নপৰিব, তাৰ অৰ্থ নাই।"

"নহয়, তোমাৰ ধাৰণা সঠিক নহয়।" সাধু জয়ানন্দই মুহূৰ্তমান ৰৈ ক'লে, "সুপ্ৰাচীন সুমেধ ৰাজবংশৰ শেষ অদ্যাপি হোৱা নাই।" এই কথাখিনি কোৱাৰ অন্তত জয়ানন্দই পদক থকা এডাল বহুমূল্য অত্যুজ্জ্বল স্বৰ্ণহাৰ উলিয়ালে। হাৰডালৰ পদকত সুমেধ তথা শান্তিপুৰ ৰাজ্যৰ চিত্ৰ খোদিত আছিল।

স্বৰ্ণহাৰডাল দেখা পাই মহাৰাজ শংকৰবৰ্মাদেৱে কৈ উঠিল, "এই স্বৰ্ণহাৰ দেখোন শান্তিপুৰৰ ৰাজপুত্ৰৰ স্বৰ্ণহাৰ! হে

মহাত্মা, আপুনিনো কিয় এই স্বৰ্ণহাৰ কঢ়িয়াই ফুৰিছে, মই জানিব পাৰোঁনে ?”

“বৎস, কেৱল স্বৰ্ণহাৰ নহয়, স্বয়ং ৰাজপুত্ৰও সম্প্ৰতি মোৰ তত্ত্বাবধানতে আছে। সাধু জয়ানন্দই মৃদুকৈ হাঁহি মাৰি ক'লে।

“হে মহাপুৰুষ! আপুনি আন একো কোৱাৰ আগতেই কওঁ, শান্তিপুৰৰ ৰাজপুত্ৰক মোৰ হাতত গটাই দিয়ক। তেওঁৰ দায়িত্ব মই সানন্দে ল'ম।” মহাৰাজ শংকৰবৰ্মাই ক'লে।

“এই কথা তুমি যে ক'বা—মই আগতেই জানো। কিন্তু—কিন্তু তোমাৰ ইয়াত শান্তিপুৰৰ ৰাজপুত্ৰ বাৰু নিৰাপদে থাকিব পাৰিবনে ?” জয়ানন্দই সুধিলে।

শংকৰবৰ্মা নিৰুত্তৰ হৈ থাকিল। তাৰ পাছত ক'লে, “হে মহানুভৱ! আপোনাৰ কথা যথাৰ্থ বুলিয়েই বোধ হৈছে। কিন্তু—আপোনাৰ তত্ত্বাৱধানতো ৰাজপুত্ৰৰ জীৱন কিমান নিৰাপদ—মই তাকো ধাৰণা কৰিব পৰা নাই। কিয়নো — বদমাছ বীৰসিংহই শান্তিপুৰৰ ৰাজপুত্ৰক বিচাৰি উলিয়াবলৈ চৰিয়া মেলি দিয়াৰ সম্বাদ মই নোপোৱাকৈ থকা নাই। গতিকে—এনে অৱস্থাত আমি ৰাজপুত্ৰক কিমানখিনি নিৰাপদে ৰাখিব পাৰিম—ক'ব পৰা নাই।”

“তোমাৰ কথা ঠিক। যি কি নহওক—সুমেধ ৰাজ-বংশৰ এট বিশেষ স্বৰ্ণহাৰৰ নিৰাপত্তাৰ দায়িত্ব মই তোমাক দিলোঁ। ৰাজপুত্ৰৰ কণ্ঠত এই স্বৰ্ণহাৰ এতিয়া পিন্ধোৱাটো যথেষ্ট হানিকৰ হ'ব পাৰে।” সাধু জয়ানন্দই ক'লে।

“আপোনাৰ আদেশ শিৰোধাৰ্য্য। হে মহাত্মা, শান্তিপুৰৰ ৰাজবংশৰ কাৰণে মই আৰু কি কি কৰিব পাৰোঁ, আপুনি নিৰ্দ্বিধাই মোক আদেশ কৰক।” অমৃতপুৰীৰ ৰজাই সাধু জয়ানন্দক এই কথা কৈ সাধুৰ আদেশলৈ বৈ থাকিল। [আগলৈ



সময়ৰ শৰ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ-ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰাজন্, কথাত বোলে—মেধি মাটিত বহিলে আনে গাঁত খানিবহে লাগে। তুমি এগৰাকী হৈ যদি এইদৰে শ্মশানচাৰী হৈ ফুৰা, সাধাৰণ প্ৰজাইনো কি কৰিব? তুমি যে কিহৰ আশাৰে বিনিদ্ৰ ৰাতিবোৰ যাপিছা, কি কৰিলে কি পাবা—বোধ কৰোঁ অতবোৰ কথা নভবা-নিচিন্তাকৈয়েই এই কাৰ্য্যত ধৰিছা। মই আজি তোমাক হৰিণী নামৰ যুৱতী এজনীৰ এক বিশেষ কাহিনী শুনাম। এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে:

'বেতাল-কথা'



প্ৰাচীনকালত দণ্ডক বনত এখন গুৰুকুল অৰ্থাৎ টোল আছিল। এই টোলৰ সঞ্চালক আছিল আচাৰ্য্য বিদ্যাসাগৰ। আচাৰ্য্যই নিজৰ প্ৰচেষ্টাৰেই টোলৰ ব্যয় নিৰ্বাহক কৰিছিল, কোনো প্ৰকাৰৰ ৰাজকীয় সহায়তা নোহোৱাকৈ এই টোল অতি সাধাৰণভাবে চলিছিল। কিন্তু এই টোলৰ শিক্ষা আছিল অসাধাৰণ।

এই টোলতে হৰিণী নামৰ ছোৱালী এজনীয়ে সাহিত্য তথা শিল্পকলা অধ্যয়নৰ বাবে নাম লগালে। কিছুদিনৰ পাছত সংগীতৰ ছাত্ৰ মল্লিনাথ আৰু অস্ত্ৰবিদ্যাৰ ছাত্ৰ শশিধৰৰ সৈতে হৰিণীৰ পৰিচয় যথেষ্ট পৰিমাণে গভীৰ হ'ল।

সংগীতৰ প্ৰতি হৰিণীৰ ৰাপ সৰ্বাধিক। মল্লিনাথৰ মধুৰ সংগীত হৰিণীয়ে মন্ত্ৰমুগ্ধৰ দৰে শুনে। অস্ত্ৰবিদ্যাৰ ছাত্ৰ শশিধৰো আছিল সংগীতপ্ৰেমী।

এইদৰে গুৰুকুলত বহু দিন অতিবাহিত হ'ল। হৰিণী এতিয়া হৈ উঠিল প্ৰখ্যাত কবি, মল্লিনাথ হ'ল সংগীত-বিশাৰদ আৰু শশিধৰ হ'ল নিপুণ অস্ত্ৰবিদ্যাবিদ।

আৰু—শিক্ষা সমাপ্ত হোৱাৰ অন্তত এদিন তিনিও গুৰুকুল তথা গুৰুৰপৰা বিদায় লৈ নিজ নিজ গৃহলৈ উভতি গ'ল।

এদিন শশিধৰ নিজৰ ঘোঁৰাত উঠি এডৰা অৰণ্যৰ কাযেদি গৈ থাকোঁতে কিছুমান মুখাপিন্ধা মানুহে অন্য মানুহ এজনক আক্ৰমণ কৰা দূৰৰপৰা দেখা পাই বিজুলী গতিৰে তালৈ আহি মুখাপিন্ধাহঁতক তৰোৱালেৰে আক্ৰমণ কৰিলে। মুখাপিন্ধাপঁত সংখ্যাত ভালেমান থকা শশিধৰৰ বিক্ৰমৰ আগত তিষ্ঠিব নোৱাৰি মুখাপিন্ধাহঁতে ফৰিং ছিটিকা দিলে।

সামান্য আহত হোৱা মাটিত পৰি থকা মানুহজন উঠি থিয় হ'ল আৰু তেওঁ শশিধৰক ক'লে, "মই এই দেশৰ ৰজা। মই চিকাৰলৈ ওলাই মোৰ লগৰীয়াহঁতৰপৰা বিচ্ছিন্ন হৈ পৰিছোঁ।

এইবোৰ বোধকৰোঁ ডকাইতহে আছিল। মই অতি শীঘ্রে ইহঁতক ধৰা পেলাম। তুমিনো কোন? তোমাৰ এই সহায় অত্যন্ত সময়োচিত তথা সাহসিক কাৰ্য্য।"

"মহাৰাজ, এই প্রশংসা মোৰ প্রাপ্য নহয়, মোৰ গুৰুজীৰহে প্রাপ্য।" শশিধৰে নির্লিপ্তভাবে ক'লে।

"অ' — বাৰু। তোমাৰ গুৰুজী বাস্তৱিকতে মহান! এতিয়া—তোমাক কি লাগে কোৱা। তুমি যি খুজিবা, তাকে পাবা।" মহাৰাজে ক'লে।

"মহাৰাজ, যদি কিবা দিবলৈ ইচ্ছা কৰিছে—মোক ব্যক্তিগতভাবে একো নিদিলেও হ'ব, আপুনি আমাৰ গুৰুজীৰ টোললৈ আৰ্থিক সহায়তা আগ বঢ়ালে ভাল পাম।" শশিধৰে ক'লে।

ৰজাই ৰাজধানী পায়েই শশিধৰক তেওঁৰ প্রধান দেহৰক্ষীৰ পদত নিযুক্তিৰ কথা ঘোষণা কৰিলে আৰু তেতিয়াই শশিধৰৰ গুৰুজী আচাৰ্য্য বিদ্যাসাগৰৰ টোললৈ আৰ্থিক সহায়তাৰ ৰাজাজ্ঞামূলক পত্র এজন পত্রবাহকৰদ্বাৰা প্রেৰণ কৰিলে।

কিছুদিনৰ অন্তত ৰজাৰ প্রধান দেহৰক্ষী শশিধৰ ৰাজধানীত বসবাস কৰা মল্লিনাথৰ ঘৰলৈ গ'ল। মল্লিনাথ অতি দৰিদ্র অৱস্থাত আছিল, কিন্তু সংগীতৰ চৰ্চা অব্যাহতৰূপে চলি আছিল।

বন্ধু শশিধৰ এতিয়া স্বয়ং ৰজাৰ



দেহৰক্ষী, এই কথাত মল্লিনাথে ভালেই পালে আৰু শশিধৰক ক'লে, "বন্ধু, তুমি— যেনেকৈয়েই নহওক মোকো ৰাজদৰবাৰত কিবা চাকৰি কৰি দিব নোৱাৰিবানে?"

কিন্তু শশিধৰে মল্লিনাথক ৰাজদৰবাৰত বা ৰজাৰ লগত চিনাকি নকৰালে, যদিও —ৰাজদৰবাৰৰ উচ্চ পদাধিকাৰী লোক-সকলৰ সৈতে আৰু ৰাজধানীৰ গণ্যমান্য-সকলৰ সৈতে চিনাকি কৰাই দিলে। এওঁলোকৰ মাজত কিছুমানে তেওঁলোকৰ ল'ৰা-ছোৱালীহঁতক মল্লিনাথৰ সংগীত শিক্ষালয়ত ভৰ্তি কৰালে আৰু এই শিক্ষালয়খনক সংগীত মহাবিদ্যালয়লৈ পৰিণত কৰিবলৈ উৎসাহ প্ৰদান কৰিলে।

মল্লিনাথৰ নাম সংগীতপ্ৰেমী মহলত বিয়পি পৰিল। অ'ত ত'ত মল্লিনাথৰ সংগীতৰ সমাৰোহৰ আয়োজন হৈ থাকিল। এই সংগীতৰ সমাৰোহসমূহত হৰিণী সদায় উপস্থিত হৈ থাকিল।

এদিন মল্লিনাথে হৰিণীক ক'লে, "হৰিণী, আমাৰ শশিধৰ ৰাজদৰবাৰত এজন ক্ষমতাশালী ব্যক্তি। কিন্তু আজি-পৰ্য্যে তেওঁ মোক ৰাজদৰবাৰত সংগীত পৰিবেশন কৰাৰ সুবিধা দিয়ানাই। বোধ-কৰোঁ—মোৰ প্ৰতি তেওঁৰ ঈৰ্ষাহে হৈছে মোৰ নাম-ডাক থকাৰ কাৰণে। তুমি কৈ-মেলি ৰাজদৰবাৰত মোৰ সংগীত পৰিবেশনৰ বন্দৰস্ত ক'ৰিব নোৱাৰিবানে?"

মল্লিনাথৰ এই কথাটো হৰিণীয়ে শশিধৰক কেইবাবাৰো ক'লে। কিছুদিনৰ অন্তত শশিধৰে ৰজাৰ উপস্থিতিত ৰাজ-দৰবাৰত মল্লিনাথৰ সংগীত পৰিবেশনৰ আয়োজন কৰিলে। মল্লিনাথৰ সংগীত শুনি মহাৰাজ মোহিত হ'ল আৰু মল্লি-নাথক প্ৰচুৰ উপহাৰ-পুৰস্কাৰ দিলে, আৰু চাওঁতে চাওঁতে মল্লিনাথ হৈ উঠিল দেশৰ সৰ্বশ্ৰেষ্ঠ সংগীতজ্ঞ।

আন এদিন আন এঠাইত অনুষ্ঠিত মল্লিনাথৰ সংগীত সমাৰোহৰ অন্তত

যেতিয়া হৰিণী ঘৰমুৱা হ'ল, তেতিয়া মল্লিনাথে হৰিণীৰ ওভোতা বাটতে হৰিণীক ক'লে, "হৰিণী, ইমান দিনৰ অন্তত তোমাক কথা এটা কওঁ। মই তোমাক বিয়া কৰাবলৈ বিচাৰোঁ।"

এই কথাৰ উত্তৰত হৰিণীয়ে শান্ত কণ্ঠেৰে ক'লে, "মই যে আপোনাৰ প্ৰতিখন সংগীত-সমাৰোহত উপস্থিত হওঁ তাৰ কাৰণ আপুনি নহয়—আপোনাৰ সুমধুৰ সংগীত। কিন্তু—সেই বুলি আপুনি এনেকৈ বিবাহৰ প্ৰস্তাৱ উথাপন নকৰিলেহে মই ভাল পাম।" এই বুলি কৈয়েই হৰিণী তাৰপৰা গুচি গ'ল।

মল্লিনাথে হৰিণীক এজনী অত্যন্ত মূৰ্খ-অহংকাৰী যুৱতী বুলি ভাবিলে।

পাছদিনা হৰিণী শশিধৰৰ ঘৰলৈ গ'ল আৰু শশিধৰক সুধিলে, "মোক ক্ষমা কৰিব, মই কোনো আঁৰ-বেৰ নৰখাকৈয়েই সুধিছোঁ—মোৰ দেউতাই মোৰ বিবাহৰ বাবে চেষ্টা কৰি আছে। কিন্তু মই আপোনাক বিবাহ কৰাম বুলি সংকল্প কৰিছোঁ। আপোনাৰ মত কি জানিব পাৰোঁনে?"

হৰিণীৰ এই সিদ্ধান্তৰ কথাত শশিধৰ পৰম প্ৰসন্ন হ'ল আৰু শশিধৰে হৰিণীৰ এই প্ৰস্তাৱত সন্মতো হ'ল। তাৰ পাছত এদিন শশিধৰে এক সহজ-সৰল অনুষ্ঠানৰ যোগে হৰিণীক বিবাহ কৰালে।



এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্রমাদিত্যক ক'লে, "হে ৰাজন্, হৰিণীয়ে মল্লিনাথক তিৰস্কাৰ কৰি, নাৰীৰ সহজ লাজ-মান পৰিত্যাগ কৰি শশিধৰক বিয়া কৰোৱাটো হৰিণীৰ অতি অহংকাৰ আৰু অবিবেকী কাম নাছিলনে? আৰু— শশিধৰে তেওঁৰ বন্ধু মল্লিনাথৰ অনুৰোধলৈ যে কৰ্ণপাত নকৰিলে, সেয়া ঈৰ্ষা নাছিলনে? তেওঁ হৰিণীৰ অনুৰোধত ৰাজসভাত মল্লি-নাথৰ সংগীত-সমাৰোহৰ আয়োজন কৰিছিল কিয়? মোৰ এইবোৰ প্ৰশ্নৰ উত্তৰ জানিও সঠিককৈ নিদিলে তোমাৰ তোমাৰ মুৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্রমাদিত্যই ক'লে, "হৰিণীৰ আচৰণ অহংকাৰী বা অবিবেকী নহয়। হৰিণীয়ে সময়ৰ শৰ মাৰিব জানিছিল। ৰজাৰ ধনৰ বশ নোহোৱা স্বাধীন চিন্তাৰ ঠাই গুৰুকুলত শিক্ষাপ্ৰাপ্ত স্বাধীনমনা হৰিণীয়ে তাইৰ নিজৰ বিবেচনাৰে যোগ্য পাত্ৰ বুলি ভবা শশিধৰক জীৱন-লগৰীৰূপে বৰণ কৰি একেবাৰেই অহংকাৰ বা অবিবেকী আচৰণ কৰা নাছিল।

"এতিয়া শশিধৰৰ কথা। শশিধৰে মল্লিনাথক ৰজাৰ লগত চিনাকি কৰোৱাৰ পৰিৱৰ্তে তাতোকৈ বৃহৎ ক্ষেত্ৰত—অৰ্থাৎ জন-সমাজত চিনাকি কৰাইছিল, যাতে মল্লিনাথৰ নাম-খ্যাতি স্বাভাৱিকভাবে প্ৰচাৰিত হয়—তাৰ বাবে। তাৰ পাছত শশিধৰে উপযুক্ত সময়ত বন্ধু মল্লিনাথক ৰজাৰ লগতো চিনাকি কৰাই দিছিল। হৰিণীয়ে শশিধৰক অনুৰোধন কৰাহেঁতেনো শশিধৰে নিশ্চয় তাকেই কৰিলেহেঁতেন। গতিকে—এই কথাত শশিধৰক ঈৰ্ষালু বুলি কোৱাৰ থল নাই।"

বিক্রমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

চান্দমামা-ক্ৰীড়াপত্ৰ-১৭

জ্ঞান-ভাণ্ডাৰ

তেওঁনো কোন

দিল্লীৰ ছুলতান এগৰাকী পৰৰাজ্য অভিযানলৈ ওলাল। সকলো ৰাজ্যৰ ৰজাক ছুলতানে পৰাজিত কৰিলে। এইদৰে—অসংখ্য ৰজাক পৰাজিত কৰাৰ অন্তত ছুলতান বিজয়গৰ্বৰে দিল্লীলৈ উভতিবলৈ ৰাওনা কৰিলে।

এই ছুলতানৰ ৰাজত্বকালত দিল্লীত এজন বিখ্যাত ফকীৰ আছিল। এইজন ফকীৰৰ ওপৰত ছুলতান রুষ্ট আছিল। ফকীৰৰ ভক্ত এজনে ফকীৰক ক'লে, "ছুলতান পুনৰ দিল্লী আহি পোৱাৰ সময় হ'ল। আপুনি আন কোনোবা ঠাইলৈ যোৱাই কিজানি ভাল হ'ব।"

ভক্তৰ এই কথাৰ উত্তৰত ফকীৰে ক'লে, " ছুলতানৰ বাবে দিল্লী এতিয়াও বহুত দূৰ।"

ফকীৰক কথা শুনি তাত থকা সকলো ভক্তয়েই আচৰিত মানিলে। কিয়নো—ছুলতান তিমানতে দিল্লীৰ সীমা প্ৰায় পাইছিলহিয়েই।

কিন্তু অকস্মাৎ বিজয়ী ছুলতানৰ অভ্যৰ্থনাৰ বাবে নিৰ্মিত বিৰাট তোৰণ এখন ছুলতানৰ মূৰৰ ওপৰ ভাগি পৰিল আৰু তাতেই ছুলতানৰ মৃত্যু হ'ল। ছুলতানে দিল্লীৰ সীমা পায়ো দিল্লীৰ মাটিত ভৰি দিব নোৱাৰিলে।

এই ফকীৰ কোন আছিল? ছুলতানৰ নাম কি আছিল? [উত্তৰ ৩৬ পৃষ্ঠাত]

আমি জানোনে?

১. বিশ্বৰ সৰ্বাধিক ব্যৱহৃত ভাষা কোন ভাষা?
২. বিশ্বৰ বৈথিকগণিতৰ ভিত্তিত ৰচিত গ্ৰন্থখনৰ নাম কি?
৩. বৰ্তমান ভাৰতীয় মানুহৰ গড় আয়ুস কিমান?
৪. বিশ্বৰ সৰ্বাধিক চেনি উৎপাদনকাৰী দেশ কোনখন?
৫. বিশ্বৰ সৰ্বাধিক বোলছবি নিৰ্মাণকাৰী দেশ কোনখন? [উত্তৰ ৩৬ পৃষ্ঠাত]

'কান্যকুব্জ নাম দেশ ভৈল সেহি ধৰি'

উত্তৰ প্ৰদেশৰ ফৰুখাবাদ জিলাৰ কনৌজ হ'ল আজিৰ দিনৰ এখন সৰু চহৰ মাথোন। এই চহৰৰ ওচৰতে অৰ্ধবৃত্তাকাৰ সুপ্ৰাচীন কান্যকুব্জ নগৰৰ ধ্বংসাৱশেষ সেই তাহানিৰ কালৰেপৰা আজিও সাত কিল'মিটাৰলৈকে বিয়পি আছে।

মহাভাৰতৰ কালত তথা তাৰ আগতেও কান্যকুব্জ নগৰখন আছিল এক বিশাল সাম্ৰাজ্যৰ ৰাজধানী। সপ্তম শতিকাত এই নগৰত অসংখ্য হিন্দু মন্দিৰ তথা বৌদ্ধ বিহাৰ আছিল আৰু সদা-সৰ্বক্ষণ শংখ-ঘন্টা কাঁহ-ৰৰকাঁহ নিনাদিত হৈছিল।

সুপ্ৰসিদ্ধ চৈনিক পৰিব্ৰাজক হুয়েন ৎছাং-এ ৬২৬ খৃষ্টাব্দত এই কান্যকুব্জ নামৰ দেশলৈ বা নগৰখনলৈ আহিছিল আৰু তেওঁ ইয়াত সাতবছৰ কাল অতিবাহিত কৰিছিল।

কান্যকুব্জত ৰাজধানী পাতি হৰ্ষবৰ্ধনে ৰাজত্ব কৰিছিল। সম্ৰাট হৰ্ষবৰ্ধনে অসংখ্য সৰোবৰ, উদ্যান-বন আৰু বিৰাট বিৰাট ৰাজপথ কান্যকুব্জ নগৰত নিৰ্মাণ কৰিছিল, যাত্ৰীনিবাস নিৰ্মাণ কৰিছিল, কান্যকুব্জক এক অনুপম নগৰ হিচাপে গঢ়ি তুলিছিল।



একাদশ শতিকাৰ প্ৰাৰম্ভণীতে ছুলতান মহম্মদে এই নগৰ আক্ৰমণ কৰি প্ৰায় সম্পূৰ্ণ নগৰ ধ্বংস কৰিছিল। শেহতীয়া ৰাঠোৰ ৰজা জয়চন্দ্ৰৰ কন্যা সংযুক্তাক অজমীঢ় তথা দিল্লীৰ শাসক পৃথ্বিৰাজে বলপূৰ্বক বিবাহ কৰাত লৈ যোৱাত জয়চন্দ্ৰই পৃথ্বিৰাজক শিক্ষা দিবলৈ মুহম্মদ ঘোৰীক উৎসাহিত কৰিছিল। প্ৰথমতে ঘোৰী পৰাজিত হৈছিল; কিন্তু পাছত পুনৰ আক্ৰমণ কৰি ঘোৰীয়ে পৃথ্বিৰাজক বেয়াকৈ পৰাজিত আৰু নিহত কৰিছিল।

কিন্তু মুহম্মদ ঘোৰী ইমানতে ক্ষান্ত হৈ নাথাকিল। জয়চন্দ্ৰ আৰু পৃথ্বিৰাজহ এই সংঘৰ্ষৰ ফলাফল অতি সুদূৰপ্ৰসাৰী হৈছিল। এই আত্মঘাতীৰ সংঘৰ্ষৰ ফলাফলস্বৰূপে কেৱল কান্যকুজৰ নহয়, সমগ্ৰ ভাৰতবৰ্ষ ক্ষতিগ্ৰস্ত হৈছিল। তাৰ ফলতে ভাৰতৰ বুকুত মোছলেম ৰাইজৰ সূত্ৰপাত হৈছিল বুলি ক'ব পাৰি। ঘোৰীয়ে পাছত জয়চন্দ্ৰকে শুদাই নেৰা হ'ল। ঘোৰীৰ সেনাপতি কুতুবউদ্দিনে ১১৯২ চনত জয়চন্দ্ৰক যুদ্ধত নিহত কৰিছিল।

চান্দমামাৰ সম্বাদ



পুনৰ্জীবিত কৰাৰ যন্ত্ৰ

বৰফ-পানীত আধা ঘণ্টা ডুবি থকাৰ পাছতো জীয়াই থকা সম্ভৱনে বাৰু? লা ভেগা নামৰ ঠাই এডোখৰৰ অধিবাসী মুৰে ত্ৰ'নি বৰফ পানীৰ প্ৰবাহত ডুবি গৈছিল। যেতিয়া—আধাঘণ্টামানৰ পাছত তেওঁক বৰফ-পানীৰ পৰা উদ্ধাৰ কৰা হ'ল—তেতিয়া তেওঁ মৃত। কিন্তু তাত উপস্থিত থকা ডাক্তৰ লাৰি জেণ্টলে তেওঁৰ নিৰ্মিত এক বিশেষ যন্ত্ৰৰ সহায়ত ত্ৰ'নিৰ দেহত উষ্ণতাৰ সৃষ্টি কৰিলে আৰু মৃত ত্ৰ'নিৰ পুনৰ জী উঠিল!

বায়ু-দুষণ

বম্বে নগৰত বায়ু সেৱন কৰা দহডাল ছিগাৰেট হোপাৰ সমান ক্ষতিকৰ বুলি কোৱা হয়। আজিৰ নগৰসমূহৰ বায়ু অতি দূষিত হৈ পৰিছে। দিল্লীৰ অৱস্থাও যথেষ্ট বেয়া। বিশ্বৰ দূষিত বায়ুৰে ভৰপূৰ দহখন নগৰৰ অন্যতম হ'ল দিল্লী।

শেহতীয়াকৈ এক সমীক্ষাৰ যোগদি বিশেষজ্ঞসকলে ওপৰুক্ত মতামত ব্যক্ত কৰিছে। বায়ু-দূষণৰ কবলৰপৰা মুক্তিৰ বাবে চৰকাৰী আৰু বেচৰকাৰী প্ৰচেষ্টা সমানভাবে আৰু গুৰুত্বপূৰ্ণভাবে নকৰা হ'লে ভয়াবহ বিপদ সমাসন্ন বুলি কোৱা হৈছে।



সাহিত্যলৈ এভুমুকি

১. দুখন শিশুপাঠ্য কিতাপ—আচলতে ডাঙৰসকলৰ কাৰণে লিখিত হৈছিল। কিতাপ দুখনৰ নাম ?

২. বাইব্ল-ৰ [বাইবেলৰ] দুখন খণ্ডৰ নাম কি কি ?

৩. প্ৰথম খণ্ডত কিমান অধ্যায় আছে ?

৪. দ্বিতীয় খণ্ডত কিমান অধ্যায় আছে ?

৫. পৃথিৱীৰ আটাইতকৈ বৃহৎ কাব্যগ্ৰন্থ কোনখন ?

উত্তৰ

কোন

ফকীৰ : নিজামউদ্দিন

ছুলতান : গয়াজুদ্দিন

জানোনে ?

১. চীনদেশৰ ভাষা।

২. ভাৰতত, খৃষ্টপূৰ্ব অষ্টম শতিকাত ৰচিত স্থূলভসূত্ৰ।

৩. ৫৪ বছৰ।

৪. ভাৰত।

৫. ভাৰত।

সাহিত্য

১. মাৰ্ক ট্যৱেইন-ৰচিত 'টম ছায়ন', 'হকিল বেৰিফিন'।

২. অ'ল্ড টেস্ট্যামেণ্ট' আৰু 'নিউ টেস্ট্যামেণ্ট'।

৩. ৩৯।

৪. ২৭।

৫. মহাভাৰত।



তেবাটা

সুপ্ৰাচীনকালত কেকয় আৰু গান্ধাৰ ৰাজ্যৰ মাজত এখন ক্ষুদ্ৰ ৰাজ্য আছিল। এই ৰাজ্যখনৰ নাম আছিল কৌমুদী। জনশ্ৰুতি আছিল যে—একালত এই কৌমুদী ৰাজ্য এখন সুবৃহৎ ৰাজ্য আছিল। কিন্তু চুবুৰীয়া ৰাজ্যৰ ৰজাহঁতে বিভিন্ন সময়ত আক্ৰমণ কৰি কৌমুদীৰ অংশবিশেষ অধিকাৰ কৰি লোৱাহেতুকে কৌমুদী ৰাজ্য কালক্ৰমে ক্ষুদ্ৰ হৈ পৰিছিল।

আমি যিকালৰ কথা লিখি আছোঁ-সেই কালত কৌমুদীৰ ৰজা আছিল চন্দ্ৰকান্ত। তেওঁৰ পুত্ৰ-সন্তান নাছিল, আছিল এজনী তথা একমাত্ৰ জীয়েক জ্যোৎস্না। এইজনী জ্যোৎস্নাকে পুত্ৰৰূপে গণ্য কৰি ৰজা চন্দ্ৰকান্তই ৰাজনীতি অস্ত্ৰবিদ্যা আদিৰ শিক্ষাদান কৰিলে।

নিজৰ পুত্ৰসন্তান নথকাত ৰজা চন্দ্ৰকান্তই ভাবিলে যে—জ্যোৎস্নাক যোগ্য পাত্ৰত বিবাহ দিব আৰু জোঁৱাইেককে কৌমুদীৰ ভৱিষ্যৎ ৰজা পাতিব। এই কথাত সুনিশ্চিত হৈ এদিন তেওঁ জ্যোৎস্নাক ক'লে, "আই, তোমাৰ বিবাহৰ বয়সো হৈছে, আৰু তোমাৰ নিচিনা ৰূপৱতী তথা গুণী ছোৱালীৰ বাবে এজন প্ৰকৃত যোগ্য পাত্ৰ বিচাৰি উলিউৱা কামটোও মুঠেই টান নহয়।

কিন্তু—তথাপি—মই ভবা মতে যদি তোমাৰ বিবাহ পাতিবলৈ লওঁ, হয়তো তাৰ ফলস্বৰূপে ৰাজ্যত ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি হ'ব। আমাৰ ৰাজ্যৰ দুয়োফালে থকা দুখন শক্তিশালী ৰাজ্যৰ কথা তুমি নজনা নহয়। কেকয়ৰ ৰাজ-



কোঁৱৰ সিংহবৰ্মা তোমাৰ ৰূপমুগ্ধ। সিংহবৰ্মাই—লাগিলে আমাৰ ৰাজ্য আক্ৰমণ কৰি আমাক পৰাজিত কৰি তোমাক বলেৰে লৈ যাব বুলি স্থিৰ কৰাৰ কথা মই জানিব পাৰিছোঁ। ইপিনে—গান্ধাৰ ৰাজ্যৰ ৰাজকুমাৰ কৃষ্ণবৰ্মাৰ মনৰ কথাৰ কোনো উৱাদিহ আমি পোৱা নাই। কৃষ্ণবৰ্মাও যথেষ্ট যোগ্য পাত্ৰ। এতিয়া—তুমি ইজনক পতিৰূপে বৰণ কৰিলে সিজনৰ লগত যুদ্ধ অনিবাৰ্য্য।"

কথাখিনি একে উশাহে কোৱাৰ অন্তত ৰজা চন্দ্ৰকান্তই তেওঁৰ জীয়েকলৈ চালে। জ্যোৎস্নাই বুজি পালে যে তাইৰ দেউতাকে তাইক আৰু কিবাকিবি ক'ব খুজিছে কিন্তু নিশ্চয় কিবা সংকোচৰ বশৱৰ্তী হৈ ক'ব পৰা নাই।

জ্যোস্নাই তাইৰ দেউতাকক ক'লে, "দেউতা, আৰু কিবা ক'বনে ?"

"ওঁ, হয়—" ৰজা চন্দ্ৰকান্তই ক'লে, "তোমাৰ মাৰাই ইপিনে—তোমাৰ বিয়াখন তোমাৰ সৰু মোমায়েৰাৰ লগতে পতাটোকে প্ৰায় খাটাঙেই কৰিছে। তেওঁৰ বক্তব্য হ'ল — কৌমুদী ৰাজ্যৰ সিংহাসনখন আন কোনোবাই পোৱাতকৈ নিজৰ মানুহে পোৱাটোহে ভাল। তেওঁৰ সৰু ভাই মাণিক্যবৰ্মা মোৰ জোঁৱাই হ'ব আৰু লগতে কৌমুদী ৰাজ্যৰ ৰজা হ'ব—এয়ে তেওঁৰ ইচ্ছা। —মই তোমাক সকলো কথা ভাঙি-পাতি ক'লোঁ। এতিয়া—যি কৰা তুমি কৰা।"

ৰাজকুঁৱৰী জ্যোৎস্নাই ক'লে, "মই এইবোৰ কথা একেবাৰে নজনা নহয়, জানো। আৰু—এই সমস্যাৰ সমাধান কেনেকৈ কৰিব লাগিব, তাকো জানো। মোক যিজনে বিয়া কৰাব, সেইজনে তিনিটা পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। আপুনি প্ৰতিখন দেশৰ ৰজেকোঁৱৰসকললৈ এই চৰ্তৰ তথা পৰীক্ষাৰ কথা জনাই দিব।"

ৰাজকুঁৱৰী জ্যোৎস্নাৰ পৰামৰ্শ অনুসাৰে

বিভিন্ন দেশলৈ ৰজা চন্দ্ৰকান্তই দূত প্ৰেৰণ কৰিলে। বহু দেশৰপৰা ৰাজ-কোঁৱৰসকল ঢপলিয়াই আহিল; কিন্তু ৰাজকুঁৱৰীৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰি উভতি গ'ল।

সৰ্বশেষত থাকিল মাণিক্যবৰ্মা, সিংহ-বৰ্মা, আৰু কৃষ্ণবৰ্মা। এই তিনিজন দুই দিন-তিনি দিনৰ বাদে বাদে আহিল। জ্যোৎস্নাই গুপ্তচৰৰ হতুৱা এই সম্বাদ পালে যে—সিংহবৰ্মাৰ সৈতে মাণিক্যবৰ্মাৰ এবিধৰ চুক্তি তথা বন্ধুত্ব স্থাপিত হৈছে। কিন্তু কৃষ্ণবৰ্মাৰ লগত সেই দুজনৰ কোনো চা-চিনাকিয়েই নাই। এই কথা জানিবলৈ পাই ৰাজকুঁৱৰীয়ে হাঁহিলে মাথোন।

যি কি নহওক—মাণিক্যবৰ্মা আৰু সিহংবৰ্মাও পৰীক্ষাত পৰাজিত হ'ল। এই বাতৰি পোৱামাত্ৰেই ৰাজকুঁৱৰী জ্যোৎস্নাই কৃষ্ণবৰ্মা থকা কক্ষত পহৰা কটকটীয়া কৰিবলৈ দেউতাকক অনুৰোধ কৰিলে। ৰাজকুঁৱৰীয়ে ভাবিছিল যে মাণিক্যবৰ্মা আৰু সিংহবৰ্মাৰ দ্বাৰা কৃষ্ণবৰ্মাৰ নিৰাপত্তা বিঘ্নিত হ'ব পাৰে।

পাছদিনা কৃষ্ণবৰ্মাক পৰীক্ষা-গৃহলৈ লৈ অহা হ'ল। তাত জ্যোৎস্নাৰ সখিয়েক-হঁতে কৃষ্ণবৰ্মাক আদৰি ল'লে। কৃষ্ণবৰ্মাক এটি সুৰম্য কক্ষৰ ভিতৰলৈ লৈ যোৱা

হ'ল। এই কক্ষৰ দেৱালত বিভিন্ন ধৰণৰ আৰু বৰণৰ চিত্ৰ ওলোমাই আছিল। অন্যান্য চিত্ৰৰ লগত ৰাজকুঁৱৰী জ্যোৎস্নাৰ চিত্ৰও আছিল।

সখিয়েক এজনীয়ে কৃষ্ণবৰ্মাক এখন এখনকৈ চিত্ৰ দেখুৱালে আৰু তাৰ পাছত সুধিলে, "এতিয়া কওক, কোনখন চিত্ৰত এইজন বিখ্যাত চিত্ৰাকাৰৰ শ্ৰেষ্ঠ প্ৰতিভা ফুটি ওলাইছে।"

কৃষ্ণবৰ্মাই এখন বিশেষ চিত্ৰলৈ আঙুলিয়াই ক'লে, "এইখনত।"

এইখন চিত্ৰত অতি মনোমোহা প্ৰাকৃতিক দৃশ্যৰ মাজত এজনী গাই আৰু দামুৰি

এটি থিয় হৈ আছিল। গাইজনীয়ে দামুৰিটিৰ গা জিভাৰে চেলেকি আছিল আৰু কাষতে এটি বিৰাট সৰোবৰত সুদৃশ্য পদুম ফুলি আছিল।

সখিয়েকজনীয়ে পুনৰ সুধিলে, "ইমানবোৰ চিত্ৰৰ মাজত এইখনেই আপোনাৰ মন মুহিলেনে ? আমাৰ ৰাজকুঁৱৰীৰ সৌন্দৰ্য্যই বাৰু আপোনাৰ অকণো ৰেখাপাত কৰিব নোৱাৰিলেনে ?"

সখিয়েকৰ কথাত মৃদুকৈ হাঁহি কৃষ্ণবৰ্মাই ক'লে, "বোধকৰোঁ—পৰীক্ষাৰ্থীক শলঠেকত পেলাবলৈ ৰাজকুমাৰীয়ে তোমাক এনেকুৱা প্ৰশ্ন কৰিবলৈ কৈছে। কিন্তু এই চিত্ৰ সমূহৰ মাজত যে সেই প্ৰাকৃতিক দৃশ্যৰ গাই-দামুৰি থকা চিত্ৰখন সুন্দৰ তথা অনুপম সেই কথা মোৰ মতে সঠিক।"

"অলপ বহলাই বুজাই কওকচোন ?"

"যদি কোনোবাই শিল্পীৰ দৃষ্টিৰে সৌন্দৰ্য্যৰ সমীক্ষা লয়, তেনেহ'লে প্ৰাকৃতিক সৌন্দৰ্য্যকে শ্ৰেষ্ঠ স্থান দিব লাগিব। মানৱীয় সৌন্দৰ্য্যৰ স্থান দ্বিতীয় শাৰীত। মানৱীয় সৌন্দৰ্য্যৰ ৰূপাৰোপ তথা চিত্ৰণ অতি সহজ ; কিন্তু প্ৰাকৃতিক সঠিকভাৱে চিত্ৰিত কৰা অতি কঠিন। মানৱীয় সৌন্দৰ্য্য স্পষ্ট তথা সীমিত ; প্ৰাকৃতিক সৌন্দৰ্য্য অস্পষ্ট আৰু অসীম। এই অসীম সৌন্দৰ্য্যক সীমাৰ মাজত প্ৰকাশিত কৰাৰ বাবে — বাস্তৱিকতে শিল্পীৰ চৰম উৎকৰ্ষতা আৱশ্যক।"

ৰাজকুঁৱৰীৰ সখিয়েক তিনিজনীয়ে কৃষ্ণবৰ্মাক নমস্কাৰ কৰিলে আৰু প্ৰধান সখিয়েক প্ৰণতিয়ে ক'লে, "আমাৰ ৰাজকুঁৱৰীকো এই প্ৰশ্নৰ এই উত্তৰেই লাগিছিল। এতিয়া আমাৰ দ্বিতীয় প্ৰশ্ন।" এই বুলি কৈ, এখিলা তালপাত কৃষ্ণবৰ্মাক দিলে।

এই তালপাতখিলাত লিখি আছিল : বিবাহেচ্ছুক নাৰীয়ে পুৰুষৰ আৰু পুৰুষে নাৰীৰ দুটা বস্তু চাব নেপায়। সেই বস্তু

ছুটা কি—অনুগ্ৰহ কৰি কওক।”

তালপাতৰ লিখাখিনি পঢ়াৰ অন্তত কৃষ্ণবৰ্মাই ক'লে, “পুৰুষে নাৰীৰ সৌন্দৰ্য্য চাই, আৰু নাৰীয়ে পুৰুষৰ ঐশ্বৰ্য্য চাই বিবাহ কৰিব নালাগে। কিয়নো—এই দুয়োটায়েই ক্ষণস্থায়ী।”

এই কথা শুনি সখিয়েককেজনী বিশেষকৈ প্ৰণতি অতি আচৰিত হ'ল আৰু কৃষ্ণবৰ্মাক পুনৰ নমস্কাৰ কৰি ক'লে, “আমাৰ ৰাজকুঁৱৰীৰ দ্বিতীয় প্ৰশ্নৰ উত্তৰতো আপুনি উত্তীৰ্ণ। এতিয়া শেষ প্ৰশ্নৰ সমাধান কৰি দিয়ক।” এই বুলি কোৱাৰ পাছত প্ৰণতি কক্ষৰ ভিতৰলৈ গ'ল আৰু চন্দন কাঠেৰে তৈয়াৰী খৰাহিৰ দৰে পাত্ৰ এটা কৃষ্ণবৰ্মাৰ হাতত দি ক'লে, “প্ৰথম আৰু দ্বিতীয় পৰীক্ষাত উত্তীৰ্ণ হ'লে এই পাত্ৰটো উত্তৰদাতাক দিবলৈ আমাক আদেশ দিয়া হৈছে। এই পাত্ৰটোৰ ৰহস্য কোৱাৰ বাবে আপোনাক এটা দিন সময় দিয়া হ'ল। এই পাত্ৰটো লৈ আপুনি এতিয়া আপোনাৰ ইয়াত থকা কক্ষলৈ যাব পাৰে, বিশ্ৰাম ল'ব পাৰে।”

চন্দন কাঠৰ এই সুদৃশ্য পাত্ৰটোৰ গাত বিভিন্ন চিত্ৰ খোদিত আছিল। বিভিন্ন ধৰণৰ শুকান পাত, সেউজীয়া পাত-কাঁইট, প্ৰভাতকালীন সূৰ্য্য, এজোপা বৃক্ষ, আৰু বৃক্ষৰ গাত মেৰিয়াই থকা দুডাল সাপ, বৃক্ষৰ চৰিওফালে নানান বৰণৰ লতা ইত্যাদি খোদিত আছিল।

কৃষ্ণবৰ্মাই এই পাত্ৰটোলৈ এনেকৈ চালে—যেনিবা এই ৰহস্যৰ সমাধান হৈ গ'ল। কিন্তু কৃষ্ণবৰ্মাই ৰাজকুঁৱৰীক কৈ পঠালে যে—এই ৰহস্যৰ সমিধান দিবলৈ তেওঁক আৰু তিনি দিনমান সময় লাগে।

আৰু সেই দিনাই সাঁজ লাগি ভগাৰ লগে লগে কৃষ্ণৰৰ্মাই তেওঁৰ কোৰান ঘোঁৰাৰ পিঠিত উঠি কৌমুদী ৰাজ্যৰ পূব দিশলৈ বুলি গৈ থাকিল। [অহা সংখ্যাত অন্ত]

সন্যাসী কোন

নন্দ অরু সুনন্দ নামৰ দুজন যুবা সন্যাসী তেওঁলোকৰ গুরু জ্ঞাননেত্রৰ আশ্ৰমলৈ গৈ আছিল। গৈ গৈ এখন নৈ পালেগৈ। নৈৰ সিপাৰে যাব লাগিব। নৈখন বৰ দ নহয়, মাত্র কঁকাললৈকেহে পানী; কিন্তু অতি কোবাল সোঁত।

যুবা সন্ন্যাসীদ্বয়ে নৈ পাৰ হোৱাৰ যো-জা কৰি থাকোঁতেই এজনী যুৱতীয়ে নৈ পাৰ হোৱাৰ চেষ্টা কৰি থকা দেখা পালে।

"হেৰা ভন্নীটি, তুমিনো ক'লৈ যাবা?" সুনন্দই সেই যুৱতীক সুধিলে।

"মই সিপাৰলৈ যাম, তাতে আমাৰ গাঁও। কিন্তু নৈৰ সোঁত দেখি মোৰ ভৰ লাগিছে, কেনেকৈ যে পাৰ হ'ম ভাবি পোৱা নাই।" যুৱতীয়ে উত্তৰ দিলে।

"চিন্তা নকৰিবা, নৈ পাৰ হোৱাত মই তোমাক সহায় কৰিম। আহঁক।" এই বুলি কৈ, সুনন্দই যুৱতীক হাতেৰে ধৰি লৈ নৈ পাৰ কৰি দিলে।

যুৱতীয়ে সুনন্দৰ পিনে কৃতজ্ঞতাপূৰ্ণ দৃষ্টিৰে চাই গাঁৱলৈ বুলি খোজ ল'লে।

তাৰ পাছত দুয়োজন সন্যাসী পুনৰ গৈ থাকিল। মাজত দুই-এবাৰ সুনন্দই নন্দক মাতিলে; কিন্তু নন্দই সুনন্দৰ পিনে ঘূৰিও নোচোৱা হ'ল, উত্তৰো নিদিলে।

গুৰুৰ আশ্ৰম পাওঁ পাওঁ হোৱাৰ সময়ত নন্দই সুনন্দক সুধিলে, "সুনন্দ, আমি সৰ্বত্যাগী সন্যাসী নহওঁ জানো? নাৰীৰ—বিশেষকৈ যুৱতী নাৰীৰ মুখদৰ্শনো আমাৰ নিষেধ। তেনে অৱস্থাত—তুমি সেইজনী যুৱতীৰ দুয়োখন হাতত ধৰি নৈ পাৰ কৰা উচিত কাৰ্য্য হৈছেনে?"

সুনন্দই এই কথাৰ উত্তৰত ক'লে, "হে নন্দভ্ৰাতা, মই যুৱতীৰ মাত্র হাতত ধৰি পাৰত আনি এৰি দিছোঁ; কিন্তু তুমি দেখিছোঁ—যুৱতীক মনৰপৰা এৰিব পৰা নাই!"

জোলোঙাৰ জন্ম

বহু বহু কালৰ আগৰ কথা। চীনদেশৰ গাঁও এখমন চাং লা নামৰ এজন মানুহ মানুহ আছিল। চাং লা-ৰ দেউতাকে টুপি সী আৰু বেচি প্ৰচুৰ ধন উপাৰ্জন কৰিছিল। মৃত্যুৰ আগতে চাং লা-ৰ দেউতাকে চাঙক কৈ গৈলে যে চাঙে এই পাৰিবাৰিক টুপিৰ কাৰবাৰ কদাপি নেৰে যেন।

কিন্তু দেউতাকো মৰিল, চাং লা-ৰো মতি ঘুৰিল। ইমান ধন-সম্পদ আছে, কিয়নো তথাপি টুপি সী থাকিব লাগিব ?

কিন্তু হঠাৎ চাং লা-ই ভাবিলে ঃ নহয়, একেবাৰে—টুপিৰ কাৰবাৰ এৰি দিয়াটো —ঠিক নহ'ব। আৰ্জনৰ দেৱতাৰ যদি খং উঠে—তেতিয়া? তেতিয়া সৰ্বনাশ হ'ব। গতিকে—টুপিৰ দোকানখন চাং লা-ই খোলা হ'ল, দুই-চাৰিটা টুপি বনোৱাও হ'ল, আৰু বেচাও হ'ল ; কিন্তু আগতকৈ ঢেৰ চৰা দামত। এই কথাত গাঁৱৰ ৰাইজে চাং লা-ক বেয়া পালে আৰু তেওঁলোকে চুবুৰীয়া গাঁৱৰ বাং লা-ক এই গাঁৱলৈ মতাই অনাই নতুনকৈ এমন টুপিৰ দোকান খুলিলে। বাং লা-ও আছিল টুপিৱলা।

বাং লা-ৰ টুপিৰ দোকান চাং লা-ৰ ঠিক বিপৰীত ফালে আছিল। এদিন চাং লা-ই বাং লা-ৰ দোকানত এজন সাধুক বাং লা-ৰ সৈতে কিবাকিবি কথা পাতি কা দেখা পালে। আৰু দেখা পালে— সাধুৰ হাতত এখন সোণালী বৰণৰ হৰিণাৰ ছাল। সাধুৱে এই হৰিণাৰ ছালেৰে এটা জোলোঙা বনাবলৈ বাঙক কৈ আছিল।

আৰু তাৰ পাছদিনাৰেপৰাই বাং লা-ই গাঁৱৰ ৰইজক বিনা পইচাৰে টুপি পিন্ধাবলৈ

আৰু সাধু-সন্তসকলক নিমন্ত্ৰণ কৰি আনি খুৱাবলৈ ধৰিলে। চাং লা-ই ভাবিলে: কেনেকৈনো বাং লা-ই দান-ধৰ্ম কৰিছে?

এদিন—যেতিয়া ৰাতিৰ পৰতে বাং লা-ৰ দোকান বন্ধ হৈ আছিল—চাং লা ই দোকানৰ ভিতৰলৈ দুৱাৰৰ বিন্ধাইদি জুমি চাই এক বিশেষ ঘটনা ঘটা দেখি অবাক হৈ ৰৈ দিলে। বাং লা-ই সেই সাধুৰ জোলেঙাটো বাৰে বাৰে জোকাৰিছে আৰু জোলোঙাটোৰপৰা সোণৰ মোহৰ তললৈ সৰি পৰিছে!

পাছদিনা, বাং-লা যেতিয়া কিবা কামলৈ ওলাই গ'ল, তেতিয়া চাং লা-ই বাং লা-ৰ এই মোনাটো চুৰি কৰি লৈ গ'ল।

এই দিনা সাঁজ লাগি ভগাৰ আগতেই চাং লা-ই তাৰ দোকান বন্ধ কৰিলে আৰু বন্ধ কৰি সেই চুৰ কৰি অনা জোলোঙা-টিত ধৰি বৰকৈ জোকাৰি দিলে—কিন্তু জোলোঙাৰপৰা সোণৰ মোহৰ এটাও তললৈ নপৰিল। আচৰিত কথা—চাং লা-ৰ নিজৰ ধন সোণখিনিও নোহোৱা হ'ল, তাৰ সাঁচনৰ ধন কাছনত গ'ল।

চাং লা অত্যন্ত দমি গ'ল আৰু বাং লা-ক কান্দি কান্দি সকলো কথা ক'লেগৈ।

ইতিমধ্যে সেই সাধুবাবা তালৈ আহিল, আৰু তেওঁ চাং লা-ক ক'লে, "শুনা, তোমাৰ নিজৰ বংশানুক্ৰমিক জীৱিকাত বিশ্বাস নোহোৱা হৈছে। আজিৰপৰা এই জোলোঙাটোৱেই হওক তোমাৰ জীৱিকাৰ মাধ্যম।" এই বুলি কৈ সাধুবাবা তাৰপৰা গুচি গ'ল।

তেতিয়াৰপৰা চাং লা-ই এই মোনাটো লৈ ভিক্ষা কৰি থাকিল। বাং লা-ৰ মোহৰৰ জোলোঙা হৈ উঠিল চাং-লা-ৰ ভিক্ষাৰ জোলোঙা।

ৰাইজে ক'লে, "সাধুৰ বেশত আৰ্জনৰ দেৱতাইহে খঙতে চাঙক ভিখাৰী কৰি থৈ গ'ল আৰু ভিক্ষাৰ জোলোঙাৰ জন্ম হ'ল।"

শ্ৰীজগন্নাথ-কথা

১

তেতিয়া অৱন্তী ৰাজ্যত ৰজা ইন্দ্ৰদ্যুম্নই শাসন কৰিছিল। ৰজা ইন্দ্ৰদ্যুম্ন আছিল ধাৰ্মিক ৰজা, তেওঁৰ শাসনকালত শান্তিৰ নিজৰা বৈ গৈছিল, প্ৰজাবৰ্গ আছিল অতি সুখী। প্ৰজাৰ মনত যুদ্ধ বা শত্ৰুৰ আক্ৰমণ আদিৰ ভয়-ভীত নাছিল।
দেশত চুৰি-ডাকাইতিৰ প্ৰশ্ন নাছিল। কিয়নো কোনো বস্তুৰেই অভাৱ নাছিল। আনকি দান-ধৰ্ম কৰাৰো উপায় নাছিল, কিয়নো, দান-গ্ৰহীতা কোনো নোলাইছিল। ৰজা ইন্দ্ৰদ্যুম্ন আছিল কলাপ্ৰেমী তথা কবি-পণ্ডিত প্ৰমুখৰ আশ্ৰয়স্থল। ৰজা ইন্দ্ৰদ্যুম্নক শলাগি কেইবাগৰাকীও কবিয়ে তেওঁৰ সম্পৰ্কে ন ন স্তুতিগীত ৰচিছিল।

কিন্তু তথাপি ৰজাৰ মনৰ ক'ৰবাত কিহবাৰ কাৰণে যেন অসন্তোষৰ ছাঁ পৰিছে। তেওঁৰ মনত কিবা এটা কামনা বাসনাই যেনিবা সদা-সৰ্বক্ষণ আঁজোৰ-পিঁজোৰ লগাইছে ;কিন্তু সেই কামনা-বাসনা যে কি—ৰজাই নিজেও তাৰ ভু নাপায়। কিছুদিনৰ অন্তত এদিন হঠাৎ তেওঁৰ মনত এটা কথা আন্দোলি উঠিল : ভৱিষ্যৎ পুৰুষৰ কাৰণে, অনাগত ভৱিষ্যতৰ ভক্ত-সৰৰ কাৰণে এটি দেৱ মন্দিৰ নিৰ্মাণ কৰিব লাগিব। কিন্তু—লগে লগে আন এটা কথায়ো মনত মূৰ দাঙি উঠিল : সেই নৱ-নিৰ্মিত মন্দিৰত কোন গৰাকী দেৱতাক অধিষ্ঠিত কৰা হ'ব ?

'মহাপ্ৰভুক বিচাৰি'



বছা বছা শিল্পী-কাৰিকৰ আনি মন্দিৰ নির্মাণৰ কামৰ কথা বুজাই ক'লে, মন্দিৰৰ ভেটিস্থাপনৰ বাবে পণ্ডিত জ্যোতিষী মতাই অনাই শুভ দিন-ক্ষণ স্থিৰ কৰিলে, আৰু তাৰ পাছত এদিন এই কর্মযজ্ঞ বিপুল উদ্যমেৰে আৰম্ভ কৰিলে।

মন্দিৰ নির্মাণৰ এই স্থান পুৰীৰ সমুদ্ৰতটত বিচাৰি উলিউৱা হ'ল আৰু সেই পণ্ডিত জ্যোতিষশাস্ত্ৰীৰ নেতৃত্বত মংগলবাদ্য আৰু বেদমন্ত্ৰৰ ধ্বনিৰ মাজতে মন্দিৰৰ ভেটি স্থাপন কৰা তথা মন্দিৰ নির্মাণৰ কাৰ্য্যৰ শুভাৰম্ভ হ'ল।

এনিশা নিদ্ৰাভিভূত হোৱাৰ আগতে এই কথাবোৰ তেওঁ গভীৰভাবে চিন্তা কৰি আছিল। সেই নিশা ৰজাই সপোনত দৈৱবাণী শুনিলে, "হে ৰজা, তুমি প্ৰথমে মন্দিৰ নির্মাণৰ কাম সমাপ্ত কৰাঁ, দেৱ-বিগ্ৰহ তাৰ পাছত স্থাপন কৰাৰ কথা চিন্তা কৰিব পাৰিবা।"

টোপনিপৰা সাৰ পাই সপোনৰ কথা ভাবি ৰজাই ভাল পালে। তেওঁৰ মনত পুঞ্জীভূত চিন্তা আঁতৰিল আৰু তেওঁ তেওঁৰ মন্দিৰ নির্মাণৰ ইচ্ছাৰ কথা মহামন্ত্ৰীক মতাই অনাই ক'লে।

তাৰ পাছত—দেশৰ সকলো ঠাইৰপৰা

এই মন্দিৰৰ নির্মাণৰ বাবে ভাৰতৰ দূৰ-সুদূৰ স্থানসমূহৰপৰা বছা বছা সুদৃশ্য প্ৰস্তৰ কঢ়িয়াই অনা হ'ল পর্বতৰপৰা সাগৰৰ বুকুৰেদি, সমতটৰপৰা তটিনীৰ যোগেদি। দেশৰ সকলো স্থানৰপৰা বাছি-বিচাৰি লৈ অহা হ'ল শিল্পীসকল, কাৰিকৰইঁতক, স্থপতিসকল। শ্ৰদ্ধা-ভক্তিৰে পৰিপূর্ণ এওঁলোকৰ দিবাৰাত্ৰিৰ কঠোৰ শ্ৰমেৰে তিল তিলকৈ গঢ়ি উঠিবলৈ ধৰিলে কষটি শিলৰ কবিতা। শিলৰ শিল্পৰূপ বিকশিত হৈ উঠিল। সাগৰৰ পানীয়ে ঢৌৰাই যোৱা ধুৱাই নিয়া সমুদ্ৰতটত গগনচুম্বী বিশাল মন্দিৰ নির্মিত হ'ল।

মন্দিৰৰূপী অপূর্ব শিল্প ৰূপায়িত হ'ল,

মন্দিৰৰ সৰ্বকৰ্ম সমাপ্ত হ'ল। আৰু তাৰ পাছত ৰাইজে পৰম্পৰৰ মাজত কোৱাকুই কৰা হ'ল : মন্দিৰ যেনিবা নিৰ্মিত হ'ল, কিন্তু মন্দিৰত কোনো দেৱতাৰ বিগ্ৰহ স্থাপিত নহ'ল কিয় ?

এই কথাত ৰজা ইন্দ্ৰদ্যুম্নও সমভাবেই চিন্তিত। তেওঁ দিনে-নিশাই এই চিন্তা কৰি থাকিল : মন্দিৰ হ'ল, বিগ্ৰহ নহ'ল। এই মন্দিৰত কোনজনা দেৱতাকনো স্থাপন কৰিম? কোনে মোক সেই কথা কৈ দিব?

এদিন ৰজাই মন্দিৰৰ গৰ্ভগৃহত প্ৰবেশ কৰি সজল চকুৰে হাতযোৰ কৰি ক'লে : 'হে ভগৱান্! কি ৰূপত এই মন্দিৰত আপুনি বিৰাজমান হ'ব ? দয়া কৰি মোক কৈ দিয়ক। এই বিশাল মন্দিৰ, এনেকৈ শূন্য হৈ থাকিলে মই প্ৰজাবৰ্গৰ আগত হাঁহিয়াতৰ পাত্ৰ নহ'মনে, প্ৰভু ?'

সিদিনাই ৰাতিৰ পৰতে তেওঁ সপোনত দিব্য-বাণী শ্ৰৱণ কৰিলে : 'এই স্থানৰ সমীপৱৰ্তী স্থানতে ভগৱান শ্ৰীকৃষ্ণৰ ৰূপত অধিষ্ঠিত আছে। সঠিকভাৱে উলিয়াব পাৰা যদি, তেওঁ ভক্তবশ্য নহৈ নোৱাৰে'।

ভক্তৰ সৈতে লুকাভাকু খেলা— শ্ৰীকৃষ্ণৰ স্বভাৱজাত কথা। গতিকে— তেওঁ যে অনায়াসে কৃষ্ণৰূপী ভগৱানৰ সন্ধান নাপাব — সেইটি কথা ৰজাই উত্তমৰূপে উপলব্ধি কৰিলে। গতিকে— ৰজাই তেওঁৰ ৰাজদৰবাৰৰ চাৰিগৰাকী





কিছু দূৰত বিদ্যাপতিয়ে টিলা এটাৰ টিং দেখা পালে আৰু সেই টিলাৰপৰা ছন্দোবদ্ধ সংগীতৰ মধুৰ শব্দ শুনিলে। তাত কোনো জন-মনুষ্য নাই; কিন্তু সংগীতৰ ধ্বনি উঠিছে। এই আশ্চৰ্য্য ঘটনা কেনেকৈনো ঘটি আছে? মৃদংগ, মুৰুলী আৰু কৰতালৰ বঞ্জনাময় ধ্বনিৰে চতুৰ্দিশ মুখৰিত হৈ উঠিছে। অলপ সময়ৰ অন্তত বিদ্যাপতিয়ে বুজি পালে যে—এই গীতধ্বনি পাহাৰৰ সিপিঠিৰপৰাহে শ্ৰুত হৈছে।

বিদ্যাপতিয়ে ধীৰে ধীৰে পাহাৰৰ চূড়া পালেগৈ। পাহাৰৰ নামনিত ভীল উপ-জাতিৰ গাভৰু ছোৱালীহঁতে নৃত্য-গীত কৰি আছিল।

বিদ্যাপতি সেই ঠাইলৈ গ'ল আৰু নৃত্য-গীত চাই মোহিত হৈ স্থানুৰ দৰে থিয় হৈ থাকিল।

আৰু এনেতে হঠাৎ এটা বিৰাট বাঘে হাওৰণি মাৰি উঠিল। বাঘটো বিদ্যাপতিৰ পিনে আগুৱাই আহিল। ভয়ৰ কোবত বিদ্যাপতিৰ অষ্ঠ-কণ্ঠ শুকাই গ'ল। বাঘটোৱে বিদ্যাপতিৰ ওপৰলৈ জঁপ মাৰিবলৈ সাজু হ'ল, আৰু ঠিক সেই মুহূৰ্ত্ততে কোনোবা নাৰীকণ্ঠই আদেশৰ সুৰত বাঘটোক কৈ উঠিল, "ৰাজা!"

পণ্ডিতক এই কামত নিয়োজিত কৰিলে: যেনেকৈয়েই নহওক—ভগৱান শ্ৰীকৃষ্ণক বিচাৰি উলিয়াব লাগিব।

চাৰিও পণ্ডিত চাৰিউফালে গ'ল। আটাইতকৈ সৰু পণ্ডিত বিদ্যাপতি গৈ থাকিল পূৰ দিশলৈ। পূৰদিশলৈ আগ বাঢ়ি যোৱাৰ অন্তত বিদ্যাপতিয়ে উত্তৰ দিশলৈ ঘূৰিলে। বিদ্যাপতিয়ে কৃষ্ণৰ শৰণাগত ভাব মনত লৈ আগুৱাই গৈ গৈ বাঘে পোৱালি পোৱা হাবি পালেগৈ। বিদ্যাপতিয়ে ভাবিলে: ভগৱন্তয়েই নিশ্চয় মোক গভীৰ অৰণ্যৰ এই বাটে লৈ আহিছে। তেৰাই মোক যাবলৈ কৈছে।

বাঘটো নিমিষতে স্থিৰ হৈ পৰিল।

"এইফালে আহাঁ!" যুৱতীয়ে পুনৰ বাঘটোক মাতিলে।

বাঘটোৱে লাহেকৈ খোজ পেলাই যুৱতীৰ ওচৰলৈ আহিল আৰু ভৰিৰ ওচৰত লেট ল'লে। যুৱতীয়ে বাঘটোৰ পিঠিত মৰমতে থপৰিয়ালে।

এই যুৱতীজনী আছিল ভীল-চৰ্দাৰ বিশ্ববসুৰ একমাত্ৰ পুত্ৰী ললিতা।

ইতিমধ্যে বাঘৰ ভয়তে বিদ্যাপতি অচেতন হৈ বাগৰি পৰিছিল। ললিতাৰ ইংগিত পাই তাইৰ দুজনী সখীয়েকে বিদ্যাপতিৰ মুখ-চকুত পানী ছটিয়ালে আৰু চকু মেলি চোৱাৰ পাছত ললিতাই বিদ্যাপতিক পানী খাবলৈ দিলে।

তাৰ পাছত ললিতাই বিদ্যাপতিক ক'লে, "হে সজ্জন! আপুনি কোন— আমি নাজানো। আপুনি ক'ৰপৰা আৰু কিয় এই ফাললৈ—অৰ্থাৎ আমাৰ এই ভীল-বসতিলৈ আহি পাইছেহি — তাকো ক'ব নোৱাৰোঁ। সম্ভৱতঃ হাবিত বাট হেৰুৱাই এই ঠাই আহি পাইছেহি। আপোনাৰ যদি অসুবিধা বা আপত্তি নাই, আমাৰ লগত আমাৰ বসতিলৈ ব'লক।"

ললিতাৰ কথাৰ উত্তৰত বিদ্যাপতি মৌন হৈ থাকিল। কিন্তু তাৰ পাছত সখিয়েক পৰিবৃতা ললিতাৰ পিছে পিছে বিদ্যাপতিও গৈ থাকিল।

বসতি পাই ললিতাই আন এজনী যুৱতীক হাত-বাউল দি মাতিলে আৰু তাইক তাইৰ দেউতাক মাতি আনিবলৈ ক'লে। লগে লগে এইজনী গছ-বনৰ আঁৰত অদৃশ্য হৈ গ'ল।

সামান্য সময়ৰ অন্তত অৰণ্য ভেদি এজন ওখ-পাখ মানুহ ওলালহি, আৰু বিদ্যাপতিৰ সমুখলৈ আহি নমস্কাৰ কৰি বিদ্যাপতিক ক'লে, "হে সৰ্জ্জন! আপোনাক আমাৰ বসতিলৈ স্বাগত জনাইছোঁ।"

এই কথাৰ উত্তৰত বিদ্যাপতিয়েও



মানুহজনক—অৰ্থাৎ ভীল-চৰ্দাৰ বিশ্ববসুক নমস্কাৰ কৰিলে আৰু ক'লে, "মোক মহাৰাজ ইন্দ্ৰদ্যুম্নই এক গুৰুত্বপূৰ্ণ দেৱ-কাৰ্য্যৰ বাবে এই ফাললৈ পঠাইছে, আৰু সেই কাৰণে এই ঠাই আহি পাইছোঁহি।"

তাৰ পাছত বিশ্ববসুৱে সাদৰ সম্ভাষণৰ অন্তত নিজ গৃহলৈ বিদ্যাপতিক লৈ গ'ল আৰু থকা-মেলাৰ সুবন্দবস্ত কৰি দিলে।

ভীল-চৰ্দাৰ বিশ্ববসুৰ গৃহত বিদ্যাপতিয়ে কৃষ্ণ-চৰিত্ৰ ব্যাখ্যা কৰি আনন্দ দান কৰি থাকিল। অন্যান্যৰ লগত ললিতায়ো কৃষ্ণ-কথা শুনি মোহিত হ'ল আৰু লগতে যুৱতী ললিতা যুৱক বিদ্যাপতিৰ প্ৰতি আকৃষ্টহৈ পৰিল।

কিছুদিনৰ অন্তত বিদ্যাপতিয়ে ললিতাৰ তেওঁৰ প্ৰতি এই আকৰ্ষণৰ কথা উপলব্ধি কৰিব পাৰিলে।

কেইদিনমানৰ ভিতৰত বিদ্যাপতি বেমাৰত পৰিল। ললিতাই দিনে-নিশাই বিদ্যাপতিৰ যথেষ্ট সেৱা-শুশ্ৰূষা কৰিলে। ললিতাৰ দেউতাক ভীল-চৰ্দাৰ বিশ্ববসুৱেও বুজি পালে উভয়ৰ মাজত এই কটকটীয়া মানসিক বন্ধনৰ কথা। আৰু এদিন—ললিতাৰ সন্মতিক্ৰমে চৰ্দাৰে বিদ্যাপতিক ক'লে ললিতাৰ মনৰ কথা। চৰ্দাৰৰ প্ৰস্তাৱত বিদ্যাপতি সন্মত হ'ল আৰু এদিন এক শুভ মুহূৰ্তত বিদ্যাপতিৰ সৈতে ললিতাৰ বিবাহ হৈ গ'ল।

কিছুদিন বিদ্যাপতি আনন্দৰ জোৱাৰত উটিল। ললিতাক বিবাহ কৰাত বিদ্যাপতি সুখী। কিন্তু—যি কাৰ্য্য সাধিবলৈ তেওঁ ৰাজধানীৰপৰা ওলাইছিল—সেই কাৰ্য্যৰ একোৱেই যে অদ্যাপি নহ'ল — এই কথাটোৱে বিদ্যপতিৰ মনত খোচা-বিন্ধা কৰি থাকিল।

ইতিমধ্যে বিদ্যাপতিয়ে এটা কথালৈ বিশেষভাবে মন কৰিছিল যে—ললিতাৰ দেউতাক ভীল-চৰ্দাৰ বিশ্ববসু প্ৰতিদিন বোৱাৰী পুৱাতে ক'ৰবালৈ যায়, আৰু



বেলি ওলোৱাৰ লগে লগে পুনৰ ঘৰলৈ উভতি আহে। দিনটোৰ বতৰ ফৰকালেই থাকক, বা ধুমুহা, বৰষুণ আদি যিয়েই নহওক, বিশ্ববন্ধু সদায় কোনোবা এক অজান ঠাইলৈ ওলাই যায়।

ক'লৈনো যায় প্ৰতিদিন? বিদ্যাপতিয়ে বহু ভাবিও ভাবি উলিয়াব নোৱাৰিলে। আৰু এই কথাটো এদিন—সোধোঁ-নোসোধোঁকৈ বিদ্যাপতিয়ে ললিতাক সুধিয়েই পেলালে।

ললিতাই গহীন মাতেৰে ক'লে, "এই কথা—আমাৰ বংশৰ এক গুপুত কথা। ইয়াক দহো ৰাইজৰ আগত ফাদিল কৰিব নোৱাৰি, তেতিয়া ঘোৰ পাপে ছুব। কিন্তু—আপুনি মোৰ পতি। গতিকে—আপোনাক কথাটো ক'ম। ইয়াৰপৰা কিছু দূৰৈত থকা এটা গুহাৰ ভিতৰত আমাৰ কুল-দেৱতালৈ পূজা আগ কৰিবলৈ দেউতা নিতৌ তালৈ যায়। আমাৰ বংশৰ প্ৰথম পুৰুষৰেপৰাই আমি এই কুলদেৱতাৰ আৰাধনা কৰি আহিছোঁ।"

"মই আমাৰ সেই কুলদেৱতাক দৰ্শন কৰিব পাৰোঁনে?" উৎসাহেৰে বিদ্যাপতিয়ে ললিতাক সুধিলে।

"দেউতাই কিজানি — বিষয়টোক অপৰাধ বুলিয়েই গণ্য কৰিব। আপুনি আপোনাৰ এই ইচ্ছাক দমন কৰক—মোৰ একান্ত অনুৰোধ।" ললিতাই নম্ৰতাৰে বিদ্যাপতিক ক'লে।

"তাৰ অৰ্থ—মই তোমাক বিবাহ কৰোৱা সত্বেও তোমালোকৰ আপোনজন হ'ব পৰা নাই।" বিদ্যাপতিয়ে খেদ প্ৰকাশ কৰিলে।

বিদ্যাপতিৰ কথা শুনি ললিতা তলমূৰ হ'ল। তাৰ পাছত তাই লাহেকৈ ক'লে, "মই — মই দেউতাক আপোনাৰ এই ইচ্ছাৰ কথা ক'ম। আপুনি নিশ্চিত থাকক, মই নিশ্চয় গ'ম।" [আগলৈ

পুৰুষ-কাপুৰুষ

প্ৰাচীনকালত উজ্জয়িনীত মহৎ শাসকবৰ্গই ৰাজত্ব কৰিছিল। কিন্তু এবাৰ উজ্জয়িনীত এজন দুষ্ট তথা অসমৰ্থ শাসক অৰ্থাৎ ৰজাৰ আবিৰ্ভাৱ হ'ল। এই ৰজা আছিল অতি উৎপতীয়া আৰু এওঁৰ অত্যাচাৰত অতিষ্ঠ হৈ দেশৰ কিছুমান সাহসী যুৱক একত্ৰিত হৈ অপদাৰ্থ ৰজাক দেশৰপৰা খেদিলে।

উজ্জয়িনী ৰাজ্যৰ সীমাত আছিল খৰস্ৰোত নৰ্মদা নৈ। এই নৰ্মদা নৈৰ সিপাৰে আছিল ৰজা মাৰ্তণ্ডৰ ৰাজ্য। উজ্জয়িনীৰপৰা খেদা খোৱা ৰজাই ৰজা মাৰ্তণ্ডৰ আশ্ৰয় প্ৰাৰ্থনা কৰিলে।

এই খেদা খোৱা ৰজাৰ অপদাৰ্থতা বা অত্যাচাৰৰ কথা নজনা ৰজা মাৰ্তণ্ডই উজ্জয়িনীক বিদ্ৰোহীৰ কবলমুক্ত কৰিবলৈ সৈন্য প্ৰেৰণ কৰিবলৈ প্ৰস্তুতি ল'লে।

তিমানতে উজ্জয়িনীত 'জনগণৰ ৰাজ্য' অৰ্থাৎ 'প্ৰজাতন্ত্ৰ' স্থাপিত হৈছে। দেশৰ প্ৰবীণসকল, যুৱক, নাৰী, যোদ্ধা আদি সকলোৱেই এই নতুন 'জনগণৰ ৰাজ্য' অৰ্থাৎ 'প্ৰজাতন্ত্ৰলৈ সমৰ্থন জ্ঞাপন কৰিছিল। জনগণ অত্যাচাৰমুক্ত হৈছিল, চোৰ-ডকাইতৰ উপদ্ৰৱৰপৰাও মুক্ত হৈছিল।

এনেতে — উজ্জয়িনীৰ জনসাধাৰণে ৰজা মাৰ্তণ্ডৰ আক্ৰমণ-পৰিকল্পনাৰ কথা জানিব পাৰিলে।

'প্ৰজাতান্ত্ৰিক' উজ্জয়িনীৰ শাসনকাৰ্য্যৰ বাবে দায়িত্ব গ্ৰহণ কৰা বয়োবৃদ্ধ আৰু প্ৰৌঢ় লোকসকল এই বাতৰি শুনি দুশ্চিন্তিত হৈ উঠিল। কিয়নো— উজ্জয়িনীৰ সৈন্যবাহিনী দৰাচলতে আছিল শান্তি-বাহিনী, আৰু ৰজা মাৰ্তণ্ড তথা

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



তেওঁৰ সৈন্যবাহিনী আছিল অতি যুদ্ধপটু।

এক বিৰাট সাৰ্বজনিক সভা পতা হ'ল। সভাত দেশৰ প্ৰায় সমগ্ৰ যুৱশক্তি উপস্থিত। উজ্জয়িনীক যিকোনো মূল্যত ৰক্ষা কৰিব লাগিব--সভাৰপৰা এই ধ্বনি সমস্বৰে উত্থিত হ'ল।

"উজ্জয়িনীক কেনেকৈ ৰক্ষা কৰিব? কোনে ৰক্ষা কৰিব? যদিহে উজ্জয়িনী ৰক্ষাৰ উপায় জনা কোনোবা ইয়াত উপস্থিত আছে — আগুৱাই আহক।" প্ৰবীণসকলে আহ্বান জনালে।

এই আহ্বান শুনি বিক্ৰম নামৰ যুৱা এজন ভিৰ ফালি আগুৱাই আহিল আৰু বিক্ৰমে ক'লে, "আপোনালোকে মোক বিছজন আত্মত্যাগকাৰী যুঁজাৰু দিয়ক, মই উজ্জয়িনী ৰক্ষা কৰিম।"

বিক্ৰমৰ কথা শুনি ৰাইজ বিস্মিত হ'ল। ৰজা মাৰ্তণ্ডৰ বিছ হেজাৰ প্ৰশিক্ষণপ্ৰাপ্ত সৈন্যক কেনেকৈনো বিছজন যুঁজাৰুৱে ভেটিব? কেনেকৈনো সম্ভৱ?

এই প্ৰশ্নৰ উত্তৰত বিক্ৰমে ক'লে, "ৰজা মাৰ্তণ্ডৰ সৈন্যইঁতে নৰ্মদা নৈৰ ওপৰত থকা কাঠৰ দলঙেদিহে পাৰ হৈ আহিব লাগিব। এয়ে হ'ল উজ্জয়িনীলৈ একমাত্ৰ প্ৰৱেশপথ। এই দলং বহলে ইমান ঠেক যে—এবাৰতে মাত্ৰ এজন মানুহেইহে আহিব পাৰিব। গতিকে—মাৰ্তণ্ডৰজাৰ সৈন্যইঁতো বাধ্যত পৰি এটা এটাকৈ আহিব, আৰু আমিও সিহঁতক এটা এটাকৈ কচুকটা দিব পাৰিম। কিয়নো মনত ৰাখিব — সিহঁত কদাপি একেলগ হৈ আহিব নোৱাৰে। আৰু— তেনেকুৱা কিবা প্ৰয়োজন বোধ কৰিলে— যোগাযোগৰ একমাত্ৰ পথ নৰ্মদাৰ এই দলংখন কাটি পেলাম। গতিকে—ৰজা মাৰ্তণ্ডৰ সৈন্যইঁতক ভয় কৰাৰ আৱশ্যকতা আমাৰ একেবাৰেই নাই।"

বিক্ৰমৰ এনে অভিনৱ উপায়ৰ শলাগ ল'লে প্ৰবীণসকলে। তাত উপস্থিত

সকলোটিয়েই বিক্রমৰ নামত বিৰাট হৰ্ষধ্বনি কৰি উঠিল।

আৰু তৎমুহূৰ্ততে বিছজন ডেকা-ল'ৰা আগ বাঢ়ি আহিল। এওঁলোকৰ প্ৰত্যেককে তৰোৱাল আৰু কুঠাৰ দিয়া হ'ল। তাৰ পাছত বিক্ৰমৰ নেতৃত্বত সেই বিছজন সাহসী যুৱা দেশৰ হকে আগ বাঢ়িল।

তৰোৱাল আৰু কুঠাৰ লৈ বিছ যুঁজাৰু নৰ্মদাৰ পাৰ পালেগৈ। কেইজনমান যোদ্ধা বিৰাট বিৰাট গছৰ আঁৰ লৈ থিয় হ'ল। যোদ্ধাসকলৰ কান্ধত কুঠাৰ; হাতত খোলা তৰোৱাল। এই যোদ্ধাইঁতে ৰজা মাৰ্তণ্ডৰ সৈন্যইঁতক দেখা পাইছিল ; কিন্তু মাৰ্তণ্ডৰ সৈন্যইঁতে উজ্জয়িনীৰ সাহসী যোদ্ধাইঁতক দেখা পোৱা নাছিল।

বেলি ওলাল। আৰু লগে লগে ৰজা মাৰ্তণ্ডৰ সৈন্যইঁতো দলঙৰ ওপৰেদি গৰপ গৰপকৈ খোজ লোৱা হ'ল। কিন্তু দলং পাৰ হৈ অহাৰ লগে লগেই উজ্জয়িনীৰ যোদ্ধাইঁতে মাৰ্তণ্ডৰ সৈন্যইঁতক কচুকটা দি থাকিল।

এইদৰে বহু সময় ধৰি মাৰ্তণ্ডৰ সৈন্যইঁত নোহোৱা হ'লত ৰজা মাৰ্তণ্ডৰ এটা সন্দেহ উপস্থিত হ'ল আৰু তেওঁৰ এই অদ্ভূত অৱস্থাৰ বুজ ল'ব পৰা হ'ল। তেতিয়া তেওঁ সৰু সৰু ডিঙৰাৰে নৰ্মদাৰ সিপাৰলৈ সৈন্য পঠাবলৈ ধৰিলে। কিন্তু উজ্জয়িনীৰ সেই সাহসী যোদ্ধাইঁতে মাৰ্তণ্ডৰ সৈন্যইঁতক মাজ নৈত কঁড়িৱাই বগৰাই পেলাই, নাও বুৰাই একাকাৰ কৰিলে।

ইপিনে—দলং ৰক্ষাকাৰী উজ্জয়িনীৰ যোদ্ধাইঁতৰ অৱস্থাও বৰ ভাল হৈ থকা নাছিল। ৰজা মাৰ্তণ্ডৰ সৈন্যইঁতে সিইঁতৰে লগৰীয়া মৃত সৈন্যইঁতৰ আঁৰ লৈ এটা-দুটাকৈ ভালেমানে উজ্জয়িনীৰ মাটিত জীয়াই জীয়াই ভৰি দিব পাৰিলে আৰু উজ্জয়িনীৰ যোদ্ধা দুই-চাৰিকো হেলাৰঙে বধিবলৈ সক্ষম হ'ল।



ৰজা মাৰ্তণ্ড তেতিয়া তেওঁৰ অনুচৰ-বৃন্দৰে সৈতে বহি আছিল। সৈন্যইঁতে বিক্ৰমৰ হাত দুখন কটকটীয়াকৈ বান্ধি ধৰি লৈ আহোঁতে বিক্ৰমে কৈ উঠিল, "মোৰ হাতৰ বান্ধোন মুক্ত কৰি দিয়া। মই কাপুৰুষ নহওঁ, পলাই নাযাওঁ।"

"বৃক্ষৰ আঁৰ লৈ, স্তম্ভৰ আঁৰ লৈ আমাৰ সৈন্যইঁতক বধ কৰোঁতে এই কথাষাৰ মনত আছিলনে যে কেতিয়াবা বন্দী হ'ব লাগিব?" ৰজা মাৰ্তণ্ডই দাঁত কৰচি ক'লে।

"অধৰ্ম-অন্যায় যুদ্ধৰ বাবে কিবা নিয়ম-কানুন পালিব লাগেনে?" বিক্ৰমে বুকু ফিন্দাই সুধিলে।

"আমাৰ যুদ্ধ—অধৰ্ম যুদ্ধ? আমাৰ যুদ্ধ অন্যায় যুদ্ধ? কিহৰ ভিত্তিতনো এনেবোৰ প্ৰগলভ কথা কৈছা?" ৰজা মাৰ্তণ্ডই বিক্ৰমক সুধিলে।

"নিশ্চয় এই যুদ্ধ--অন্যায় যুদ্ধ, এই আক্ৰমণ—অন্যায় অবাঞ্ছিত অধৰ্মমূলক আক্ৰমণ। —হে মহাৰাজ মাৰ্তণ্ড! আপুনি আমাৰ বিৰুদ্ধে নিয়মমতে যুদ্ধ ঘোষণা কৰিছিলনে?" বিক্ৰমে বিক্ৰমৰে সৈতে মাৰ্তণ্ডৰজাক সুধিলে।

"কোনোবা অ-ৰাজক অৰ্থাৎ ৰজা নোহোৱা দেশত আগতীয়াকৈ যুদ্ধ ঘোষণা

তেতিয়া বিক্ৰমে তাৰ সহচৰসকলক কাঠৰ দলংখন কুঠাৰেৰে ঘপিয়াই কাটি পেলাবলৈ আদেশ দিলে।

ইতিমধ্যে কিছুমান মাৰ্তণ্ডীয় সৈন্যই উজ্জয়িনীৰ মাটিত ভৰি দিছিলেই। এইবাৰ দলংখন নৈৰ গৰ্ভত জাহ যোৱাত মাৰ্তণ্ডৰ সৈন্যইঁতে আৰু আগৰ দৰে আহিব নোৱৰা হ'ল।

কিন্তু মাৰ্তণ্ড ৰজাৰ যিমানবোৰ সৈন্য আহিছিল, বিক্ৰমক ধৰা পেলাবলৈ সিমানবোৰেই আছিল যথেষ্ট। সিহঁতে বিক্ৰমক বন্দী কৰি সিহঁতৰ ৰজা মাৰ্তণ্ডৰ ওচৰলৈ লৈ গ'ল।

কৰাৰ আৰশ্যকতা কি?" ৰজা মাৰ্তণ্ডই বিক্ৰমক ক'লে।

"আমাৰ দেশৰ প্ৰজাবৰ্গয়েই হ'ল দেশৰ ৰজা। আমাৰ দেশখন ৰাজতন্ত্ৰী নহয়, প্ৰজাতন্ত্ৰী দেশ।" বিক্ৰমে যুক্তি দাঙি ধৰিলে।

"কোনো ৰাজ্য প্ৰজাতন্ত্ৰী হ'ব নোৱাৰে। প্ৰজাতন্ত্ৰী ৰাজ্য এখন কদাপি টিকি থকা সম্ভৱ নহয়।"

"আমাৰ প্ৰজাতন্ত্ৰ টিকি থাকিব। মোক বন্ধনমুক্ত কৰি দিয়ক। মই এই বিষয়ে আপোনাৰ সৈতে মুক্তাৰস্থাত কথা পাতিব খুজিছোঁ।"

ৰজা মাৰ্তণ্ডই বিক্ৰমক মুক্ত কৰি দিলে আৰু সিজৰ কাষত বহুৱাই ক'লে, "মই তোমালোকৰ দেশবাসীক পলকতে নাশ কৰিব পাৰোঁ। তোমাৰ দৰে কাপুৰুষক মই পৰোৱা নকৰোঁ। তোমালোকৰ দেশত কোনো ৰজা নোহোৱালৈকে ময়ো ৰাজ্য হিচাপে স্বীকৃতি নিদিওঁ।"

"আমাৰ দেশত মোৰ দৰে সহস্ৰ সহস্ৰ দেশভক্ত আৰু আপোনাৰ দৰে পুৰুষ ৰজাও বহুদেশতে আছে। যোদ্ধা আছে। পুৰুষ-কাপুৰুষৰ প্ৰমাণ যুদ্ধত নহয়, মহত্বতহে হয়। সেই অগণন যোদ্ধাই আমাৰ উজ্জয়িনীক নিশ্চয় ৰক্ষা কৰিব। তেওঁলোক কেনে সাহসী তাৰ এটা প্ৰমাণ আপনাক দেখুৱাওঁ।" এই বুলি কৈ বিক্ৰমে তেওঁৰ সোঁহাতখন প্ৰসাৰিত কৰি হাতৰ তলুৱাত জুই লগাই দিলে। হাতখন জ্বলি থাকিল। বিক্ৰমে ক'লে, "মহাৰাজ, আপুনি আমাক সহস্ৰ যাতনা দি থাকিলেও আমাক ভয় দেখুৱাই জয় কৰিব নোৱাৰিব।"

ৰজা মাৰ্তণ্ডই বিক্ৰমক পৰিপূৰ্ণভাবে মুক্তি দিলে আৰু তেওঁৰ সৈন্যবাহিনীৰে সৈতে নিজ ৰাজধানীলৈ উভতি যাবলৈ সৈন্যবাহিনীক আদেশ প্ৰদান কৰিলে।

পৰম্পৰা

তেতিয়াৰ মগধৰ ৰজা আছিল চন্দ্ৰসেন। চন্দ্ৰসেনৰ চাৰিজন পুত্ৰ। পুত্ৰসকল গুৰু-কুলৰপৰা অৰ্থাৎ টোলৰপৰা শিক্ষাত উত্তীৰ্ণ কৰি অনাৰ অন্তত ৰজাই তেওঁৰ পুত্ৰ চাৰিওকো ৰাজনীতিৰ গূঢ় শিক্ষা প্ৰদান কৰিবলৈ মন্ত্ৰীক ক'লে।

মহামন্ত্ৰীয়ে মহাৰাজক ক'লে, "মহাৰাজ! আমাৰ ৰাজকুমাৰ চাৰিজনে গুৰুকুলৰ শিক্ষা সমাপন কৰাৰ পাছতো যদি সেই শিক্ষাক অসম্পূৰ্ণ বুলি ভাবিছে, বা ৰাজনীতিৰ বিশেষ শিক্ষা দিব খুজিছে, সেই শিক্ষা আপুনিয়েই দিব লাগিব।"

ৰজা চন্দ্ৰসেনে ক'লে, "মহামন্ত্ৰী, ৰাজনীতিৰ কথা আপুনি যিমান জানে— মই তাৰ ভগ্নাংশভাগও নাজানো। কিমান যে ৰাজনৈতিক অদূৰদৰ্শিতা বুদ্ধিমত্তাৰে সমাধান হৈছে—তাৰ লেখ-জোখ নাই। এই বিষয়ত আপোনাতকৈ সমৰ্থ কোনোবা আছে বুলি মই জ্ঞাত নহওঁ।"

"মহাৰাজ! ৰাজনীতি কিবা উপদেশৰ যোগেদি প্ৰাপ্ত হ'ব পৰা বিদ্যা নহয়। জীৱনত ঘটা ঘটনা-বিশেষৰ প্ৰতিকাৰৰ মাধ্যমত অৰ্জিত বিদ্যা। ৰাজ-নীতিৰ বিশেষ পাঠৰ বাবে ৰাজকুমাৰসকলৰ সময় অবাবতে নষ্ট কৰাৰ হেতু নাই। আৰু— মোৰ পুত্ৰয়ো এই বিষয়ত ৰাজকুমাৰ-সকলক সহয়োগ দিব পাৰিব।"

ৰজা চন্দ্ৰসেনে ক'লে, "মন্ত্ৰী মহোদয়, মই আপোনাক মোৰ মনৰ কথা কওঁ। আপুনি ৰাজকুমাৰহঁতৰ প্ৰতিভা—বিশেষকৈ ৰাজনৈতিক প্ৰতিভা পৰীক্ষা কৰাৰ অন্তত আমাৰ ৰাজ্যৰ উত্তৰাধিকাৰী কাক কৰা

আৱশ্যক—নিৰ্ণয় কৰি দিব লাগিব।"

"মহাৰাজ! আমাৰ দেশৰ পৰম্পৰা অনুযায়ী—জ্যেষ্ঠ ৰাজকুমাৰেই সিংহাসনৰ উত্তৰাধিকাৰী হয়।" মহামন্ত্ৰীয়ে ক'লে।

"পৰম্পৰা—তথা ঐতিহ্যৰ যূপকাষ্ঠত যোগ্যতাক বলি দিয়াৰ মই বিৰোধী। আমাৰ ৰাজবংশৰ পুৰুষৰ পিছত পুৰুষ মাত্ৰ এজনকৈহে ৰাজকুমাৰৰ জন্ম হৈছিল। গতিকে—এই কথাত কোনো সমস্যাৰো উদ্ভৱ নহৈছিল। কিন্তু মোৰ পুত্ৰ চাৰিজন। এতেকে—এওঁলোকৰ মাজত যোগ্যতম কোন—জনা প্ৰয়োজন।"



মহামন্ত্ৰীয়ে ৰজাৰ এই কথাৰ কোনো উত্তৰ নিদিলে, মৃদুকৈ হাঁহিলে মাথোন।

মহামন্ত্ৰীয়ে হঁহাত ৰজা চন্দ্ৰসেন কিছু বিতুষ্ট হ'ল। তেওঁ মহামন্ত্ৰীক সুধিলে, "আপোনাৰ হাঁহিৰ হেতু কি?"

"মহাৰাজ, আপোনাৰ কোনো কথাই যেতিয়া মোক অন্য কিবা কথা সোঁৱৰায়, তেতিয়া মই হাঁহো। এইবোৰ কথা আপুনি সোধাও নিৰৰ্থক, জনাৰো আৱশ্যকতা নাই। এইবোৰ কথাৰে আপোনাৰ মনৰ কষ্টহে বাঢ়িব মাথোন।"

তথাপি ৰজা চন্দ্ৰসেন নিৰস্ত নহ'ল। তেওঁ হাঁহিৰ কাৰণ জানিব খুজিলে।

মহামন্ত্ৰীয়ে বাধ্যত পৰি ক'লে, "মহাৰাজ, যুৱৰাজ ধৰ্মসেন মোৰ কন্যা ত্ৰিপুৰসুন্দৰীৰ প্ৰতি বহু দিনৰপৰাই আকৃষ্ট। ৰূপ, গুণ আৰু লাৱণ্যৰ কথাত জগতৰ কোনো ৰাজকুমাৰীতকৈ মোৰ কন্যা অপকৃষ্ট নহয়। কিন্তু ধৰ্মসেনৰ ধাৰণা—তথাপি মোৰ কন্যাক আপুনি পুত্ৰবধূৰূপে মনে-চিতে মানি নল'ব, কোনোবাজনী ৰাজকুমাৰীকহে পুত্ৰবধূৰূপে আনিব। —আপুনি এই ঐতিহ্য এৰি—অৰ্থাৎ ৰাজপুত্ৰী এৰি মহামন্ত্ৰীক পুত্ৰবধূৰূপে আদৰি ল'ব পাৰিবনে?"

মহামন্ত্ৰীৰ কথা শুনি মহাৰাজ চন্দ্ৰসেনে ক'লে, "আপোনাৰ পুত্ৰীৰ যোগ্যতাৰ নিৰ্ণয়



আপুনি স্বয়ং নকৰাই ভাল। সেই দায়িত্ব মোক দিয়ক।”

ৰজাৰ কথা শুনি মহামন্ত্ৰীয়ে পুনৰ মিচিকীয়াই হাঁহি থাকিল। ৰজাই সুধিলে, হাঁহিছে কিয়?”

মহামন্ত্ৰীয়ে ক'লে, “মহাৰাজ, যিকোনো পুৰুষ মানুহে নিজ-পত্নী নিজেই নিৰ্বাচিত কৰাৰ অধিকাৰ থকা উচিত। ধৰ্মসেনে ত্ৰিপুৰসুন্দৰীক পত্নীৰূপে নিৰ্বাচন কৰিছে। এই কথাৰ বিৰোধিতাৰ—আপোনাতকৈ মোৰহে অধিক অধিকাৰ থাকিব লাগে। কিয়নো—কাক ৰজা পাতিব—সেই কথাৰ আপুনি নিৰ্ণয় কৰিব নোৱাৰি মোৰ ওপৰতহে জাপি দিছে। গতিকে—যিজনে ৰজা স্থিৰ কৰিব পাৰিব, সেই একেইজনে ৰাণী স্থিৰ কৰিব নোৱাৰিবনে, মহাৰাজ?”

চন্দ্ৰসেনে কেইমুহূৰ্তমান চিন্তা কৰিলে আৰু তাৰ পাছত ক'লে, “আপোনাৰ কথাত যুক্তি নথকা নহয়। ধৰ্মসেনে যদি আপোনাৰ পুত্ৰী ত্ৰিপুৰসুন্দৰীক ধৰ্মপত্নীৰূপে গ্ৰহণ কৰিব খুজিছে—তাৰ বিবাহ মই স্বয়ং সম্পাদন কৰিম। এই কথাত নিশ্চিন্ত হৈ থাকি আপুনি ৰাজকুমাৰহঁতৰ যোগ্যতা নিৰ্ণয় কৰক।”

এই কথাৰ উত্তৰত মহামন্ত্ৰীয়ে নীৰৱে হাঁহিলে মাথোন। একো নক'লে।

“মোৰ ওপৰত আপোনাৰ বিশ্বাস নোহোৱা হ'লনে? কিয়নো এনেকৈ হাঁহিছে বাৰে বাৰে?” চন্দ্ৰসেনে সুধিলে।

“মহাৰাজ! ধৰ্মসেন যদি মোৰ জোঁৱাই হয়েই, তেনেহ'লে—মই আন কাৰোবাক ৰজা হোৱাৰ যোগ্য ভাবিম বুলি কেনেকৈনো ভাবিছে?” মহামন্ত্ৰীয়ে সুধিলে।

“আপোনাৰ নিঃস্বাৰ্থ আচৰণত মই পৰিপূৰ্ণ বিশ্বাসী। আপোনাৰ সম্পৰ্কে মোৰ মনত কোনো সন্দেহ নাই।”

“তেনেহ'লে অনুগ্ৰহ কৰি মোৰ মতামত তথা নিৰ্ণয়ৰ কথা শুনক। মোৰ

ছোৱালীজনীৰ লগত ধৰ্মসেনৰ প্ৰেম-প্ৰীতি দেখি মই ধৰ্মসেনৰ ওপৰত যথেষ্ট লক্ষ্য ৰাখিছোঁ। ৰাজকুমাৰ চাৰিজনৰ মাজত ৰজা হোৱাৰ যোগ্যতা যে কেৱল ধৰ্ম-সেনৰহে আছে, এই কথাত সম্পূৰ্ণ নিশ্চিত হৈহে মই ত্ৰিপুৰৰ সৈতে ধৰ্মসেনৰ বিবাহৰ প্ৰস্তাৱ আপোনাৰ ওচৰত উত্থাপন কৰিছোঁ।" মহামন্ত্ৰীয়ে ক'লে।

মহামন্ত্ৰীৰ কথা শুনি মহাৰাজ চন্দ্ৰসেন চমকি উঠিল। তেওঁ ক'লে, "আপোনাৰ আচৰণো কেতিয়াবা পক্ষপাতদুষ্ট হ'ব বুলি মই কল্পনাতো স্থান দিয়া নাছিলোঁ। আপুনি আত্মস্বাৰ্থত আদৰ্শচ্যুত।"

ৰজাৰ এই কথা শুনি মহামন্ত্ৰীয়ে পুনৰ নীৰৱে হাঁহিলে।

ক্ৰুদ্ধ ৰজাই সুধিলে, "আপুনি বাৰে বাৰে এনেকৈ হাঁহিছেনো কিয়? আপোনাৰ হাঁহিয়ে মোক যথেষ্ট আমনি দিছে। আপুনি স্পষ্টকৈ কওক, আপোনাক কি লাগে?"

"মহাৰাজ! আপুনি কোৱা আদৰ্শৰ কথা মই একেবাৰে একোটো বুজা নাই। আপুনি যদি কেৱল যোগ্যজনৰ ৰাজ্যাভিষেক কৰিব বুলি স্থিৰ কৰিছে— তেনেহ'লে তাৰ কাৰণে কেৱল চাৰিজন ৰাজকুমাৰৰ যোগ্যতাৰ পৰীক্ষা ল'ব কিয়? আমাৰ দেশত ৰজা হোৱাৰ যোগ্যতা থকা অসংখ্য মানুহ ওলাব। আপুনিও এই



পৰম্পৰাকে মানি চলিছে যে—আপোনাৰ পুত্ৰ—অৰ্থাৎ ৰাজপুত্ৰসকলৰ মাজৰপৰাহে কোনোবা এজনক বাছি ল'ব। কিন্তু—পৰম্পৰাক নমনাকো আকৌ আদৰ্শবাদী বুলি মান্যতা দিছে। আপুনি যেনেকৈ কেৱল আপোনাৰ পুত্ৰ চাৰিজনৰ মাজৰ-পৰা এজনক ৰজা পাতিব বিচাৰিছে, ময়ো তেনেকৈ মোৰ জোঁৱাই ৰজা হোৱাটো বাঞ্ছা কৰিছোঁ। কিন্তু মোৰ এই বাঞ্ছাৰ কথা শুনি আপুনি বিহ খাই বিহ ভুগি মৰা যেন হৈছে। আপোনাৰ এনে পৰম্পৰবিৰোধী কাণ্ড-কাৰ্খনা চাই নাহাঁহি পাৰোঁনে ?" মহামন্ত্ৰীয়ে ক'লে।

মহামন্ত্ৰীৰ কথা শুনি ৰজা চন্দ্ৰসেনে নিজৰ ত্ৰুটিৰ কথা কিছু পৰিমাণে উপলব্ধি কৰিব পৰা হ'ল।

তেতিয়া চন্দ্ৰসেনে পৰম্পৰা তথা ঐতিহ্যক ভঙাৰ চিন্তা-চেষ্টা পৰিত্যাগ কৰিলে আৰু মহামন্ত্ৰীক সুধিলে, "মন্ত্ৰীবৰ, আপুনি স্পষ্টকৈ কওক, ধৰ্মসেনৰ গাত ৰজা হোৱাৰ যোগ্যতা সঁচাসঁচিকৈ আছেনে ?"

"মহাৰাজ ! কোনোবা ৰজাৰ যদি যোগ্য মন্ত্ৰী, শক্তিশালী তথা বিশ্বাসী সেৱক, যোগ্য সহচৰী আৰু ৰাজভক্ত প্ৰজা থাকে—তেনেহ'লে তেওঁ নিশ্চিন্তে ৰাজত্ব কৰিব পাৰে। ধৰ্মসেনৰ গাতো সকলো গুণেই আছে।" মহামন্ত্ৰীয়ে ক'লে।

এইবাৰ মহাৰাজ চন্দ্ৰসেনে নিৰৱে হাঁহিলে। মহামন্ত্ৰীয়ে মহাৰাজৰ হাঁহিৰ কাৰণ সোধাত মহাৰাজে ক'লে, "ৰাজ-নীতিতকৈও যে মন্ত্ৰী-নীতি প্ৰখৰ, আপুনি আপোনাৰ কন্যাজনীক ৰাণী ৰূপে অধিষ্ঠিত কৰি তাৰ দেখ দেখ প্ৰমাণ দিলে।"

মহামন্ত্ৰী আৰু মহাৰাজ এইবাৰ একেলগে হাঁহি উঠিল।

মহাৰাজ চন্দ্ৰসেনে তেতিয়াই ধৰ্মসেন আৰু ত্ৰিপুৰসুন্দৰীৰ বিবাহৰ কথা ৰাজকীয়-ভাবে ঘোষণা কৰিলে।



আস্ত-ব্যস্ত মৌ!
এক পাউণ্ড মৌ-জোল গোটাওঁতে মৌৰে ৪০ লক্ষ ফুলৰপৰা মৌ বুটলিবলগীয়া হয়!

ওলোটা বেদ!
আফ্ৰিকাৰ ক্যাটফিশ্ব [ছাইন'ড'ন্‌টিছ বাটেনছ'ডা] নামৰ মাছে তলৰ ফাল ওপৰ কৰি সাঁতোৰে। এইদৰে সাঁতুৰি পানীৰ ওপৰৰ ফালে থকা খাদ্য সহজভাবে খাব পাৰে।

লম্বকৰ্ণ!
মৰুভূমিৰ শহাবোৰৰ কাণ অন্যান্য শহাবোৰতকৈ দীঘলসজীয়া। কোৱা হয় যে—এই দীঘল কাণত থকা ৰক্তকণিকা সাধাৰণ কাণতকৈ বহুগুণে অধিক থকাহেতুকে মৰুভূমিৰ শহাবোৰৰ দেহৰ উত্তাপ সদায় শীতল অৱস্থাত থাকে।

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্‌·
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮৭·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
চাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯০ চনৰ জুলাই সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯০ চনৰ মে মাহৰ ১৫ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI
MADRAS—600 026.

১৯৯০ চনৰ মাৰ্চ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : পঠনৰ পাতনি

দ্বিতীয় ফটো : পোহৰৰ আৰম্ভণি

পুৰস্কাৰ প্ৰাপক : সূৰ্য্য দেউৰি, কল্যাণপুৰ, গণেশগুৰি, গুৱাহাটী-৬

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চা ন্দ মা মা

ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

Chandamama Publications, Chandamama নাইবা Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

"मेरि" गोल्ड कवरिंग गहने अपनी श्रेष्ठता, अनुपम 'लाजवाब' मनमोहक डिसैनों से दुनियाँ की सारी स्त्रियों के दिलों में शाश्वत जगह पाये हैं । आपको कैसा नम्बर चाहिये यह हमें लिखकर बताइये । वि.पि.पि. द्वारा भेजा जायेगा । मुफ्त केटलाग के लिये आज ही हमें लिखिये, ।



DAD/MGC/09

MERI GOLD COVERING WORKS

P.O.BOX 1405, 14, RANGANATHAN STREET
T.NAGAR, MADRAS - 600 017, PHONE: 444671

তুমি হাতেৰে যেতিয়া
চাপৰি বজোৱা
আৰু ভৰিৰে খটখটোৱা
লগতে যেতিয়া আসন এৰি
উৰা মাৰিবলৈ বিচাৰা...

একমাত্র ফানবাইট-এহে সেই ধেমালি সম্পূৰ্ন কৰে তেতিয়া।

কেম্পকোৰ ফানবাইট।
ক্ৰীম সদৃশ, মচমচীয়া চকলেট।
ভিতৰত খচখচীয়া ৱেফাৰ আৰু
বাহিৰত তৃপ্তিদায়ক চকলেট।
ৰং-ধেমালিৰ সময় কৰি তোলে
আনন্দমুখৰ

ভাৰতৰ সৰ্ববৃহৎ সৰ্বাধুনিক প্লাণ্টৰ অৱদান

কেম্পকো লিমিটেড, মাঙ্গালোৰ

Other Campco chocolates: Milk / White / Treat / TURBO / Eclairs / megabite / Playtime / RUBIES / TOFFEE / Campco beverages: WINNER / COCOA

R K SWAMY/CU7804/AS

আম-বাগিচাত মিঠা মিঠা কথা
ভাটৌচৰাইৰ সতে
হেৰা চোৰা !
মোৰ নতুন
মেঙ্গো চুইট !
হেৰা চোৰা।
মোৰ নতুন
মেঙ্গো চুইট !
জানা !
ইয়াৰ ভিতৰত সঁচা-সঁচি
আম আছে !
জানা !
ইয়াৰ ভিতৰত সঁচা-সাঁচি
আম আছে !
চু-উ উ প্ বদমাচ ! মোৰ
মেঙ্গো চুইট
এটা খাই চোৰাঁ।
চু-উ উ উপ্ বদমাচ !
মোৰ মেঙ্গো চুইট
এটা খাই চোৰাঁ।
ইয়াক মই কি
নামেৰে মাতিম
জানা ?
আম-ৰস
কি ক'লা ?
আকৌ কোৱানা।
আ আ ম . . . ৰ্ ৰ্ স। হ'বনে
অমৃত বচন বাৰে বাৰে আওৰাব
নেপায় নহয় !
হি . . . হি . . . হি !
নিউট্রিন
আম-ৰস
ভিতৰত আচল আমৰ
সোৱাদ আৰু পেক কৰা
ভাটৌৰ দৰে ৰঙ-বিৰঙী
পেকত
আচলতেই পাব ইয়াত আচল আম।
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/8940/Ass